# Assam Legislative Assembly Debates

सत्यमेव जयते

## OFFICIAL REPORT

FIFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## Budget Session

## Volume I

## No. 4

**The 5th March, 1987**

Price Rs. 19·00

CONTENTS

# Budget Session
## Volume—1
## No. 4

Dated, the 5th March, 1987


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1—50 |
| 2. | Miscellaneous Discussion | 50—51 |
| 3. | Introduction of Government Bill | 51—66 |
| 4. | Debate on Governor's Address | 66—97 |
| 5. | Adjournment | 97 |
| 6. | Annexure | 98—100 |


—

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Thursday, the 5th March 1987

The House met at Nine of the Clock in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

( To which oral answers were given )

**বিষয়ঃ স্বাস্থ্য বিভাগত নিযুক্তি**

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছেঃ

৪১ মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯৮৬-৮৭ চনৰ ভিতৰত এই বিভাগত বিভিন্ন পৰ্য্যায়ত কিমানজন লোকক নিয়োগ কৰা হৈছে ?

খ) যদি এনে ধৰণৰ নিয়োগ কৰা হৈছে তেন্তে তেনে নিয়োগৰ ভিত্তি কেনে ধৰণেৰে নিয়োগ কৰা হৈছে।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

ক) ১৯৮৬-৮৭ চনৰ ভিতৰত মুঠ ৮৩৫ জন লোকক বিভিন্ন পৰ্য্যায়ত নিযুক্তি দিয়া হৈছিল।

| | | |
|---|---|---|
| ১। | স্বাস্থ্য বিষয়া | ৬৭২ জন |
| ২। | তৃতীয় শ্ৰেণী | ৭৮ ,, |
| ৩। | চতুৰ্থ শ্ৰেণী | ৬৫ ,, |
| ৪। | খণ্ড সম্প্ৰসাৰণ প্ৰশিক্ষক | ১ ,, |
| ৫। | সংগঠক | ৭ ,, |
| ৬। | ক্ষেত্ৰ কৰ্ম্মী | ১ ,, |
| ৭। | গাড়ী চালক | ৮ জন |

৮। অন্যান্য ১ ”

খ) এই প্ৰশ্নটোত কি ধৰণৰ নিয়োগ নীতিৰ কথা সোধা হৈছে সেইটো স্পষ্টভাবে বুজা নেযায় যদিও নিয়োগ নীতিৰ সংক্ৰান্তত অৱশ্যে ইয়াকে কব পাৰি যে অসম চৰকাৰৰ স্বাস্থ্য বিভাগত খালী হোৱা ৰাজপত্ৰিত/অৰাজপত্ৰিত পদসমূহ অসম লোক সেৱা আয়োগে, ১৯৮৩ চনৰপৰা প্ৰবৰ্ত্তন কৰা কেন্দ্ৰীয় বাচনি সমিতি আৰু চৰকাৰৰ অন্যান্য নীতি নিয়ম সমূহৰ জৰিয়তে নিয়োগৰ ব্যৱস্থা কৰা হ'য় ।

শ্ৰীগোলোক ৰাজবংশী : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে যে 'ভালদৰে বুজা নাযায়' মই এইটো 'ভিত্তি' অৰ্থ কৰিছো । কি ভিত্তিত নিযুক্তি দিয়া হৈছে ? যদি মন্ত্ৰী মহোদয়ে কোৱাৰ দৰে ইণ্টাৰভিউ লৈয়ে দিছে তেন্তে যোৱা ২০/৬/৮৬ তাৰিখে শ্ৰীকেশৱ চন্দ্ৰ পাটোৱাৰী নামৰ এজন ল'ৰাৰ এখন দৰ্খাস্ত, যি খনত দৰ্খাস্তকাৰীৰ চহী নাই, কি চাকৰিৰ কাৰণে দৰ্খাস্ত কৰিছে সেইটোও নাই আৰু কালৈ কৰিছে সেইটোৰো উল্লেখ নথকা এখন দৰ্খাস্ত স্বাস্থ্য বিভাগৰ সঞ্চালকলৈ 'ফৰ এপইণ্টমেণ্ট' বুলি লিখি পঠিয়ালে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্যমন্ত্ৰী) : এই কথাটো আলোচনা হোৱাত মোৰ দৃষ্টিগোচৰ হৈছে। তাত 'ফৰওৱাৰডেডফৰ' বুলি লিখা হৈছে। যিহেতুকে মন্ত্ৰী এপইনটিং অথৰিটি নহয় সেই কাৰণে সঞ্চালকলৈ পঠাই দিয়া হৈছে। সঞ্চালকে যদি অসম্পূৰ্ণ দৰ্খাস্ত পায় তেনেহলে সেইবিলাক নাকচ কৰিব পাৰে। অসম্পূৰ্ণ দৰ্খাস্ত তেখেতে গ্ৰহণ কৰিব নোৱাৰে।

শ্ৰীগোলোক ৰাজবংশী : অসম্পূৰ্ণ দৰ্খাস্তত যদি চাকৰি দিবই নোৱাৰে তেনেহলে চহী নোহোৱা দৰ্খাস্ত এখনত অৰ্ডাৰ দি কিয় সঞ্চালকলৈ পঠালে। ফৰ এপইণ্টমেণ্টৰ কাৰণে বুলি লিখি দিছে। "Forwarded to the Director Health Services for appointment" এইখন পঠাই দিছো।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাঃ মন্ত্ৰী) : মই এইটো অনুসন্ধান কৰি তেখেতক জনাম ।

শ্ৰীগোলোক ৰাজবংশী : এই কথাটো এখন কাগজটো দিছিল। এইটো এতিয়াও অনুসন্ধান কৰিবলৈ বাকী আছে নেকি ? কাগজখন তেখেতেও পাইছে। তথাপি ইমানদিনে কিয় অনুসন্ধান কৰিবলৈ বাকী আছে ?

Before giving appoint mentpolice verification is required.

In this case, will the Hon'ble Minister state whether it was sent for police verification before giving appointment ?)

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাঃ মন্ত্ৰী)ঃ এই সম্পৰ্কত অনুসন্ধান কৰা হৈছিল। ইনটাৰভিউত যেয়ে ভাল কৰিছে সেয়ে চাকৰি পাইছে।

শ্ৰীগোলোক ৰাজবংশীঃ এইটো মিছা বুলি কব নোৱাৰে।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাঃ মন্ত্ৰী)ঃ মই মিছা বুলি কব বিচৰা নাই। দৰ্খাস্তবিলাক সম্পূৰ্ণ নে অসম্পূৰ্ণ সেইবিলাক কথা চাবলৈ আমাৰ ইমান সময় নাই। আমাৰ প্ৰত্যেকজন সদস্যই দিনে কমেও ১০০ খনকৈ দৰ্খাস্ত চাব লাগে। সেইবিলাকৰ কি চাকৰিৰ কাৰণে, নাম আছেনে নাই, বাপেকৰ নাম আছেনে নাই, চহী আছেনে নাই এই সকলোবিলাক কথা চাবলৈ আমাৰ সময় নাথাকে। সেই কাৰণে আমি 'ফৰওৱাৰ্ড' কৰি পঠাই দিও এপইনটিং অথৰিটিয়ে সেই বিলাক চাই গ্ৰহণ কৰিবৰ কাৰণে। যিহেতুকে মন্ত্ৰী এপইনটিং অথৰিটি নহয়।

Forwarded to the Director, Health Services for what purpose ? It was so forwarded for appointment purpose. We receive applications and we simply forward them. This was also forwarded to the Director Health Services for appointment purpose; if it was incomplete it should have been noticed in the Director's office.

Dr. Ardhendu Kumar Dey : Mr. Speaker Sir, how the Director could do it. The Hon'ble Minister already forwarded the application to the Director Health Services 'for appointment'.

Shri Chandra Mohan Patwari (Minister) : Sir, as I have already said I simply forwarded the application for appointment- 'forwarded for what purpose I should mention'. So I forwarded it to the Director for 'appointment purpose'. Whatever other action was necessary, it would be taken by the Director. (then in Assamese).

আমাৰ প্ৰত্যেকজন মাননীয় সদস্যই দিনে ১০০ খনকৈ দৰ্খাস্ত চাব লাগে। কি কি আছে সেইটো চাব নোৱাৰে।

Starred question No. 42 was not called for.

**Re : Medical Sub-centres under Barpeta Mohkuma Parishad.**

Shri Sheikh Abdul Hamid asked :

*43 Will the Minister, Health & FW be pleased to state :

a) The number of Medical Sub-Centres running under Barpeta Mohkuma Parishad ?

b) The total Strength of staff and total payment required to be paid per month ?

c) Whether any medicine is supplied to the Sub-centres ?

Shri Chandra Mohan Patowari, (Minister, Health & FW) replied :

a) 10 (ten)

b) & c) Not known to Government as the sub-centres are under the Mohkuma Parishad & hence they are in no way concerned with the Health Deptt.

*Shri Sheikh Abdul Hamid : Mr Speaker sir, it was stated that there are 10 Medical Sub Centres being run under management of Barpeta Mahkuma Parishad. They are in bad codition and Barpeta Mahkuma Parishad wanted them to be taken over by the Government. Now will the Hon'ble Minister of Health assure the House that these Sub Centres will be taken over by the Health Department ?

---

* Speech not corrected.

Shri Chandra Mohan Patwari (Minister) : Mr Speaker sir, so long as the management of the Medical Sub Centres continues with the Mahkuma Parishad and unless the Mohkuma Parishad's representation is forwarded to us formally, the Sub Centres canot be taken over by Government.

* Shri Sheikh Abdul Hamid : Sir, It was written to Panchayat Minister, but it was forwarded to the Health Minister, and the Health Minister now answers that those Sub Centres cannot be taken over by Government. I also requested the Panchayat Minister that these Sub Centres are in bad condition and they should be taken over.

Mr Speaker : No, it cannot be answered now. A separate question will be required for this. Now Question No. 44.

বিষয় : **কৰিমগঞ্জ চিভিল হস্পিতাল**

শ্ৰীৰমেন্দ্ৰ দেই সুধিছে :

* ৪৪ মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ে জনাবনে ?

ক) কৰিমগঞ্জ চিভিল হস্পিতালে প্ৰয়োজনীয় আলো-পায়খানা ও প্ৰস্ৰাবগাৰেৰ যথেষ্ঠ অভাব চৰকাৰে এ ব্যাপাৰে অবগত আছেন কি ?

খ) যদি থাকেন তা দূৰ কৰাৰ ও প্ৰয়োজনীয় সংস্কাৰেৰ ব্যবস্থা নিতে সৰকাৰ কোন কৰ্মসূচী গ্ৰহন কৰছেন কি ?

গ) যদি কৰে থাকেন তবে কবে পযন্ত কি ভাবে হবে ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) নহয়। (খ) প্ৰশ্ন নুঠে। (গ) প্ৰশ্ন নুঠে।

---

* Speech not corrected.

শ্ৰীৰমেন্দ্ৰ দে ঃ অধ্যক্ষ মহোদয়, কৰিমগঞ্জ চিভিল হাসপাতালে কতটা ৰোগী আছে এবং এই ৰোগী অনুপাতে সেখানে পায়খানা-প্ৰস্ৰাবখানা, জল বা লাইটেৰ ব্যবস্থা আছে কি না মন্ত্ৰী মহোদয় জানাবেন কি ? আমাৰ জানা মতে ওখানে যতটা ব্যবস্থা থাকা দৰকাৰ ততটা ব্যবস্থা নেই। কিন্তু মন্ত্ৰী মহোদয় বলেছেন— 'অসমীয়াতে'— সুতৰাং মন্ত্ৰী মহোদয় তদন্ত কৰে দেখবেন কি যে এটা সঠিক কিনা এবং যদি সঠিক না হয় তাহলে তাৰ উপযুক্ত ব্যবস্থা নেওয়াৰ ব্যবস্থাৰ নিবেন কি ? কৰিমগঞ্জ চিভিল হাসপাতাল পৰিচালনায় অব্যবস্থা বা অপব্যবস্থাৰ কাৰণ অনুসন্ধান ও দূৰীকৰনেৰ জন্য সৰকাৰ একটা তদন্ত কৰবেন কি ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, উক্ত হস্পিটেলখনৰ লেট্ৰিন বাথৰোম আৰু লাইটৰ প্ৰভিজন গড়কাপ্তানি বিভাগৰ 'স্পেচিফিকেচন' অনুযায়ী কৰা হৈছে। এই প্ৰশ্ন পোৱাৰ পিচত চিভিল চাৰ্জনৰ পৰা খবৰ অনা হৈছে খবৰ পোৱাব পিছত— Light, Latrines and urinals are sufficient at Karimganj Civil Hospital, Light points are provided, Latrines and Urinals are constructed by P.W.D. as per P.W.D specification. If any more specifie items are wanted it may specifically wanted, and then I will have to enquire.

শ্ৰীৰমেন্দ্ৰ দে ঃ Sir, then I think I am correct to say that, these provisions are short of requirement by the public.

স্যাৰ, আগে ছিলনা, এখন আছে এবং আমাৰ প্ৰশ্ন কৰাৰ পৰ ব্যবস্থা নেওয়া হয়েছে বলে মন্ত্ৰী মহোদয় বলেছেন। কিন্তু আমি জানি এখনও কোন ব্যবস্থা নেওয়া হয়নি। সূতৰাং এই উত্তৰ ঠিক নয়।

Mr. Speaker : Next Question No. 45,

## Re : Functions of B. L. C. C.

Shri Abdul Jabbar, asked :

*45 Will the Minister, Rural Development be pleased to state :

a) The basis of Blockwise allocation of fund annually ?

b) The functions of B. L. C. C. s. and Steering Committees ?

c) Under what circumstances and to what extent the Steering Committee can modify or alter the resolutions of the B. L. C. C. ?

Shri Chandra Arandhara, (Minister of Rural Development) replied :

মাননীয় অধ্যক্ষ মহোদয় মাননীয় সদস্য জনৰ প্ৰশ্নোত্তৰ মই পঢ়ি দিছো।

a) The basis of blockwise allocation of fund annual

A) IRDP— Annual allocation of fund is made equally to all blocks.

B) NREP— (i) For general, fund is allocated on the basis of No. of G. P. S. in a Block.

ii) TSP and SCCP; identified areas are given weightage by way of giving additional allocation of fund proportionately.

C) RLEGP— RLEGP fund till date is equally allocated as per sanctioned amount.

b) The functions of the Steering committee are as follows :

i ) To plan the works to be taken up under the National Rural Employment Programme.

ii) To determine allocation of resources to the blocks, Panchayats and Official agencies executing the works departmentally in the District / Sub-Division.

iii) To ensure equitable distribution of resources to all the areas under its charge and there is no misuse of any type.

iv) To ensure meticalous compliance of the guidelines on the programme.

v) To plan supplies in such a manner, that there are no

bottlenecks anywhere in supply of foodgrains and the works under the programme do not suffer for want of food grains in any case.

vi) To review and monitor the progress of the programme periodically.

The committee should meet atleast once in the two months. It may co-opt any other officer connected with the programme and also any representative of voluntary agencies participating in the programme.

B.L.C.C. The functions of the co-ordination committee are as follows :-

a) Notional Rural Employment Programme :— The Committee shall assist and recommend to the Steering Committee the Schemes proposed to be implemented under NREP in the Blocks.

I) The Committee shall ensure that the norms and guidelines issued by the Government from time to time for implementation of NREP are followed by all the implementing agencies in the block.

II) The Committee shall also ensure that the executing agencies submit the progress reports on the implementation of NREP to the DRDAs in time.

III) Any other matter relating to the implementation of N. R. E. P. that may be assigned to the Commitsee from time to time.

b) Integrated Rural Development Programme (IRDP)

I) To ensure proper indenification of the target group under IRDP.

II) To ensure proper coordination between the development Deptts, the financing institution & other agencies operating in the block for successfull implementation

of IRDP.

III) To ensure timely repayment of loan to the financing institutions sanctioned under IRDP.

Iv) Any other matter relating to IRDP that may be assigned to it from time to time.

c) The Steering Committee can alter or modify the resolution of the BLCC when the norms and guidelines are not followed by the BLCC and in the overall interest of balanced growth and development of the Sub-divisions.

শ্ৰীআব্দুল জব্বৰ : মাননীয় অধ্যক্ষ মহোদয়ে, মোৰ সমষ্টিৰ ৫ খন গাওঁ পঞ্চায়তক ষ্টিয়েৰিং কমিটিয়ে যি ফাণ্ড এল'কেশ্বন দিলে সেইটো মই বিভাগীয় সঞ্চালকৰ দৃষ্টি আকৰ্ষণ কৰাইছিলো৷ কিন্তু তাৰ কোনো যথাযথ উত্তৰ নেপালো। মাননীয় মন্ত্ৰী মহোদয়ে এই কথাটো এজন উচ্চ পৰ্য্যায়ৰ কৰ্ম্মচাৰীৰ দ্বাৰাই অনুসন্ধান কৰোৱাৰ দিহা কৰিবনে? পাছটা জি, পিয়ে যিটো টকা পাব লাগিছিল সেই টকাটো নেপালে। সেই কথাটো অনুসন্ধান কৰাই ব্যৱস্থা লবনে?

মাননীয় অধ্যক্ষ :—আপুনি কি বিছাৰিছে?

Shri Abdul Jabbar * : My money has been taken by the Steering Committee and diverted to three other G. Ps ; so, my money should be given back. I want my money back - will the Hon'ble Minister give assurance ?

Shri Chandra Arandhara, (Minister, Rural Development ) Sir, it has already been replied that the Steering Committee has got the right to look after whether mony is the distributed in a balanced manner. So, it is at the discretion of the Steering Committee.

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, যিটো টকা যোৱা ৩৭ বছৰে পোৱা নাছিল সেইটো টকা 'এৰিয়াৰ' হিচাবে দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো,

এৰিয়াৰৰ প্ৰশ্ন ইয়াত নাহে। 'ফাণ্ড এলকেশ্বন কৰাৰ ক্ষেত্ৰত পূৰ্ব্ববৰ্ত্তী ফাণ্ড এলকেশ্বনৰ কথাবিলাকো চিন্তা কৰা হৈছিল। কোনোবা অঞ্চলত যদি আগতে সৰহকৈ ফাণ্ড এলকেশ্বন কৰা হৈছিল সেইবিলাক অলপ 'ৰিভাইজ' কৰা হৈছে।

শ্ৰীদেবেশ্বৰ বৰা: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে সকলো ব্লকতে সমানে বণ্টন দিয়া হয় বুলি কৈছে। কিছুমানত সেইমতে পাবলগীয়া পৰিমাণৰ টকা নাই পোৱা যেন লাগে। তেনেক্ষেত্ৰত পুনৰ বিবেচনা কৰি ফাণ্ড দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰত কৈছোৱেই যে, পঞ্চায়তৰ সংখ্যা অনুপাতে দিয়া হয়।

শ্ৰীদেবেশ্বৰ বৰা: মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়তৰ জনসংখ্যা অনুপাতে দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, একোটা ব্লকত কিমান গাওঁ পঞ্চায়ত আছে তাৰ ওপৰত ভিত্তি কৰিহে দিয়া হয়।

Shri A. F. Golam Osmani : Sir, the fund is alloted on the basis of population to the Panchayats so far as the schemes are concerned. Now, this has been taken over by the BLCC. Is the BLCC is above the Steering Committee? Can a Steering Committee consisting of only Government officials not having the representation of the popular representatives make such bureaucratic changes?

Shri Chanda Arandhara, (Minister, Panchayat): Mr. Speaker Sir, the hon'ble. Member is aware that the Steering Committee is above the BLCC. The Steering Committee has been given the power of allocation of funds.

Shri Dewn Jainal Abedin : May I know, Sir, whether the Legislators will be included in the Steering Committee. I want to know catagorically whether public representatives would be included in the Steering Committees?

Shri Chandra Arandhara, (Minister, Panchayats): Yes Sir, that matter will be considered.

**Re. : Establishment of another Veterinary College.**

Sri Hemen Das asked :

* 46 Will the Minister, Veterinary be pleased to state:

a) Whether it is a fact that another Veterinary College will be established in Assam ?

b) If yes, whether site for this has been selected ?

Shri Nagen Sarma ( Minister of Veterinary ) replied :

a) Yes.

b) Site for establishment of the 2nd Veterinary College has not yet been finalised. An expert committee has been constituted for selection of site.

শ্ৰীহেমেন দাস : এবছৰ হৈ গল ইয়াৰ আগতে এটা ঘোষনা কৰা শুনিছিলো যে নবে'ম্বৰ ২১ তাৰিখে ভেটেৰিনাৰী কলেজ মুকলি কৰা হব আকৌ তাৰ পাচত শুনিলো নৱে'ম্বৰত নহয় আৰু যাৰ কাৰণে নলবাৰীৰ ছাত্ৰসকলে বন্ধ পালন কৰিব লগীয়া হ'ল আৰু আজি মন্ত্ৰী মহোদয়ে কলে বিশেষজ্ঞ কমিটি পাতি দিয়া হৈছে, এতিয়া বিশেষজ্ঞ কমিটিৰ সদস্য সকলৰ নাম জনাবনে ?

শ্ৰীনগেন শৰ্ম্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বিশেষজ্ঞ কমিটিটো কেবিনেটৰ সিদ্ধান্ত অনুযায়ী হৈছে। প্ৰয়োজন হলে আপুনি চেম্বাৰত লগ কৰিলে কব পৰা হব ।

মোৰ সমাপ্ত হোৱাৰ পিচত কলেহে বুজিবলৈ সুবিধা হয় । এই বিশেষজ্ঞ কমিটিত পশুপালন বিভাগৰ সচিব ডাঙৰীয়া আৰু ভেটেৰিনাৰী ডিপাৰ্টমেণ্টৰ সঞ্চালক ডাঙৰীয়া আৰু গড়কাপ্তানী বিভাগৰ মুখ্য অভিযন্তা এই তিনিজন আছে ।

শ্ৰীহেমেন দাস : কিমান দিনৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব ?

শ্ৰীনগেন শৰ্ম্মা (মন্ত্ৰী) : ৩০ দিনৰ ভিতৰত ।

## Sub : **Supply of Petroleum Products**

Shri Binay Khungur Basumatary asked :

* 47. Will the Minister, Food & Civil Supplies be pleased to state :-

a) Whether the Government instructed the Deputy Commissioner of all districts in Assam to seize all stocks of Petroleum products in the dealers possession in January, 1987 ?

b) If so how did the vehicles owners ran their vehicles during the strike at Guwahati Refinery ?

c) Is it true, that the Minister of Health, Assam was refused M.S. by the Assam Oil dealer at Tihu Tin Ali on 31st January, 1987 ?

d) If so why the Government did not exempt public representatives like Ministers and MLAs from the restrictions imposed by the Deputy Commissioners ?

e) The arrangements from supplyiug SKO to MLA hostels at Dispur campus and who was entrusted to look after SKO supplies at Dispur Temporary Capital Complex ?

Shri Biraj Kumar Sarma, ( Minister, Food & Civil Supplies ) replied :

a) No.

b) Does not arise.

c) It has been ascertained that to deal with the shortage of Petrol at Nalbari from 28.1.87 due to strike of the employees of the Oil Refinery, the Deputy Commissioner, Nalbari regulated the sale of Petrol by maintaining Reserve stock of Petrol with each depot on 31.1.87.

On 31.1.87 evening the Driver of the Hon'ble Minister, Health, Assam approached the operator of Tin Ali Petrol Pump. The operator told the driver that petrol was available in the Reserve stock only. The driver thereupon left the depot without further enquiry. It has also been reported by the Deputy Commissioner, Nalbari that there was a reserve stock of 2000 litres on 31.1.87 at the disposal of the petrol pump.

d) No restriction was imposed by the Government on sale of Petroleum Products during the Oil Refinery strike and therefore the question of exemption of public representatives like Ministers and MLAs. does not arise.

e) Shri K. K. Das, Inspector of Food & Civil Supplies, Guwahati was the area Officer who looked after distribution of SKO in the Dispur area including M.L.A. Hostel, Distribution in the area arranged as per usual procedure, i.e. through street hawkers and retailers.

Shri Binay Khungur Basumatary : Sir, whether the Government is aware that the Tihu Assam Oil dealer takes great pleasure in informing the public as well as me that they have refused to give petrol to the Ministers, and consequently I personally had to get Kerosene for my stove here at Dispur M.L.A. Hostel. Sir, one Supply Inspector, Shri K. K. Das has refused to give Kerosene even to the Ministers. In front of me he has insulted the Ministers by saying so. He says, 'I have refused the Ministers, who are you ?' I have reported this matter to the Deputy Commissioner. We have been insulted by this Inspector in this manner. Certain actions should be taken against such officers.

(Noise of support in the House from all sides).

শ্ৰীবিৰাজ কুমাৰ শৰ্মা (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কে, কে, দাসৰ বিষয়ে যিটো কৈছে সেই বিষয়ে মই জ্ঞাত নহয়। এই বিষয়টো মই পাচত অনুসন্ধান কৰি ব্যৱস্থা ল'ম।

বিষয়ঃ **প্ৰাথমিক চিকিৎসা কেন্দ্ৰত ৰোগী ৰখাৰ ব্যৱস্থা।**

শ্ৰীকমলা কলিতাই সুধিছেঃ

* ৪৮ মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) ৰাজ্যৰ প্ৰাথমিক কেন্দ্ৰসমূহত ৰোগী ৰখাৰ ব্যৱস্থা আছে নেকি?

খ) যদি আছে তেন্তে তেনে কেন্দ্ৰৰ সংখ্যা কিমান?

গ) ৰোগীসকলৰ খোৱা লোৱাৰ ব্যৱস্থা কি আছে জনাবনে?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

ক) কিছু সংখ্যক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ৰোগী ৰখাৰ ব্যৱস্থা আছে।

খ) ১২২ খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ।

গ) মাত্ৰ বিচনা যুক্ত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সমূহতহে খাদ্য যোগানৰ ব্যৱস্থা আছে।

শ্ৰীকমলা কলিতাঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৩ চনৰ মে মাহৰ গেজেট নটিফিকেশ্যন মতে আমাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সংখ্যা ১৩০ খন আছিল আৰু এতিয়া মাননীয় মন্ত্ৰী মহোদয়ে কলে যে এতিয়া তেনেকুৱা কেন্দ্ৰ মাত্ৰ ১২২ খনহে আছে। আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে এই সংখ্যা কমাই দিলে নেকি?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয় আমাৰ মাননীয় সদস্য গৰাকীয়ে যিটো কৈছে যে গেজেট নটিফিকেশ্যন মতে ১৯৮৩ চনৰ মে মাহত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ ১৩০ খন আছিল আচলতে বৰ্ত্তমান অসমত ১৫২ খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আছে, এই ১৫২ খন কেন্দ্ৰৰ ভিতৰত ১২২ খনত খাদ্য যোগান আৰু বিচনাৰ ব্যৱস্থা আছে।

শ্ৰীকমলা কলিতাঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে সেইটো নহয়, ১৯৮৩ চনৰ মে মাহত কোৱা হৈছিল ১৩০ খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আহাৰ যোগান ধৰাৰ ব্যৱস্থা কৰা হৈ আছে আৰু ১৫২ খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আছে সেইটো মই জানো। মোৰ ২য় কথা হ'ল এই স্বাস্থ্য কেন্দ্ৰ বিলাকত যিসকল ৰোগী থাকে তেওঁলোকৰ খোৱাৰ বাবদ কি নিৰিখত টকা ধাৰ্য্য কৰা হৈছে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, অন্যান্য চিভিল হস্পিতাল বিলাকত যি ধৰণে ধাৰ্য্য কৰে সেই নিৰিখতেই ইয়াতো ধাৰ্য্য কৰা হৈছে। প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰসমূহত আমাৰ এটা অসুবিধা আহি পৰিছে সেইটো হ'ল কৰবাত ৬ খন, কৰবাত ১০ খন। এই ৬ খন বা ১০ খন বিচনাযুক্ত হস্পিতালৰ কাৰণে কোনো ব্যৱসায়ী লোকে নিবিদা দিবলৈ নাহে।

শ্ৰীকমলা কলিতাঃ মোৰ প্ৰশ্নটো আছিল স্পেচিফিক। যিটো নিৰিখত টকা ধাৰ্য্য কৰা হৈছে সেই নিৰিখত কোনো ঠিকাদাৰে ৬ খন বা ১০ খন বিচনাযুক্ত হস্পিতালত ৰোগীৰ কাৰণে আহাৰ যোগান ধৰিব নোৱাৰে, সাধাৰণ ৰোগী আৰু টি, বি ৰোগীৰ আহাৰ যোগান ধৰাৰ নিৰিখ কেনেকুৱা ধৰণৰ সেইটো মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)ঃ এইটো মই এতিয়া বিতং ভাবে জনাব নোৱাৰিম। এই বিষয়ে আলোচনা কৰি পিচত জনাম।

## Re : Shortage of Doctors

Shri Altaf Hussain Mazumdar asked :

* 49 Will the Minister Health & F. W. be pleased to state :

a) It is a fact that on 1st January, 1986 there was shortage of Doctors in State Dispensaries, PHC, etc. under Chief Medical & Health Officer, Cachar, numbering 23 (twenty three) and that the Govt. assured the questions

in reply to Starred Question No. 85 of 1986 that Doctors would be posted shortly ?

b) If so, whether the Government has posted doctors in all those posts and if so, total number of Doctors posted ?

c) It there any shortage now as stated in above.

Shri Chandra Mohan Patowary, (Minister, Health & F. W.) replied :

a) Yes.

b) Out of 23 doctors, 15 doctors have been posted against the existing vacancies as on 1.1.86.

c) Yes, 8 doctors.

Shri Altaf Hussain Mazumder *: Mr. Speaker Sir, will the Minister Health whether all those 15 doctors who have been posted, have joined there in their places of posting ? Secondly, regarding shortage of 8 doctors, whether any action has been taken to fill up those vacaneies ?

Shri Chandra Mohan Patowari, (Minister, Health) : Mr. Speaker Sir, we have appointed 15 doctors and as per Government rules they will have to join there. If somebody is not joining within a specific period, they are to submit medical documents of illness ; otherwise we will take necessary action for not joining within due time. But to my knowledge all of them have joined. Other 8 vacancies will be filled up very soon. If the notification, by this time, is not published it will be published within two or three days.

Shri Altaf Hussain Mazumder : Mr. Speaker Sir, the Hon'ble Minister has stated that on 1.1.86 there was shortage of doctors in the State Dispensaries and Public Health Centres and that out of 23 doctors 15 doctors have

been posted on 1.1.86. But to my knowledge they have not joined as yet. Will the Hon'ble Minister clarify it ?

* Shri Chandra Mohan Patowari, Minister, Health : Mr. Speaker Sir, regarding State Dispensaries, I can give the information but regarding PHCs I am not having the position, which vacancies are still existing. If the Hon'-ble Member does not mind going to my chamber, I can give him the information.

* Shri Altaf Hussain Mazumdar : I do not mind going to his chamber. But Sir there is some convention of the House and according to that convention, the Minister is to give the required information here in the House and he should have been prepared for that. However, if the Minister is not prepared I can visit his chamber to get the specific information.

বিষয় : **নিত্য প্ৰয়োজনীয় সামগ্ৰী যোগান ।**

শ্ৰীমুক্তাৰ হুছেইনে সুধিছে :—

* ৫০ মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) চৰকাৰে সুলভ মূল্যৰ দোকানৰ জৰিয়তে চহৰ অঞ্চলত আৰু গাওঁ অঞ্চলৰ মানুহক কি কি নিত্য প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰে ?

খ) চৰকাৰী নিয়ম মতে নগৰ আৰু গাওঁ অঞ্চলৰ প্ৰতিজন প্ৰাপ্ত বয়স্ক আৰু শিশুক কি পৰিমাণৰ চাউল আৰু চেনি সুলভ মূল্যৰ যোগান ধৰা হয় ?

গ) ১৯৮৫ চনত দক্ষিণ বগৰীবাৰী গাওঁ পঞ্চায়ত সমবায় সমিতি আৰু বাঘমাৰা গাওঁ পঞ্চায়ত সমবায় সমিতিয়ে মুঠ কি পৰিমাণৰ চাউল আৰু চেনি পাইছিল ?

* Speech not corrected.

ঘ) বৰ্ত্তমান ১৯৮৭ চনত উক্ত গাওঁ পঞ্চায়তৰ সমবায় সমিতি দুটাই কি পৰিমাণৰ চাউল আৰু চেনি পাই আছে ?

শ্ৰীবিৰাজ কুমাৰ শৰ্ম্মা (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে গ্ৰাহকক চাউল, চেনী, আটা, নিমখ, কেৰাচিন, আমদানিকৃত খোৱা তেল, নিয়ন্ত্ৰিত কাপোৰ আদি সামগ্ৰী যোগান ধৰা হয় ।

খ) গাওঁ আৰু চহৰ অঞ্চলৰ প্ৰতিজন প্ৰাপ্ত বয়স্ক লোকক মাহে ৮ (আঠ) কিঃ গ্ৰাঃ আৰু প্ৰতিজন নাবালকক ৪ কিঃ গ্ৰাঃ চাউল যোগান ধৰিব লাগে। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ পৰা আমাৰ মাহেকীয়া চাহিদা ৬২,০০০ মেঃ টনৰ বিপৰীতে মাত্ৰ ৪০০০০ মেঃ টন চাউল পোৱাৰ বাবে এই নিৰিখত চাউল দিব পৰা নাই। গাওঁ আৰু চহৰ অঞ্চলত মাহে জনমুৰি ৪২৫ গ্ৰামকৈ চেনীৰ যোগান ধৰা হয় ।

গ) বাঘমাৰা আৰু দক্ষিণ বগৰীবাৰী গাওঁ পঞ্চায়ত সমবায় সমিতি দুখনক ১৯৮৫ চনৰ বছৰটোত খাদ্য আৰু অসামৰিক যোগান সঞ্চালকালয়ৰ পৰা মুঠ আবণ্টন তলত দিয়া ধৰণে হৈছিল ঃ

| | | | |
|---|---|---|---|
| ১। | বাঘমাৰা গাঃ পঃ সঃ সঃ | চাউল | ৭৭৭ মেঃ টন । |
| | | চেনী | ১২৭,৪ মেঃ টন । |
| ২। | দক্ষিণ বগৰীবাৰী গাঃ পঃ সঃ সঃ | চাউল | ৪০৩ মেঃ টন । |
| | | চেনী | ৪৯ মেঃ টন । |

ঘ) বৰ্ত্তমান ১৯৮৭ চনৰ জানুৱাৰী আৰু ফেব্ৰুৱাৰী মাহত মুঠ তলত দিয়া ধৰণে উক্ত সমবায় সমিতি দুখনক আবণ্টন দিয়া হৈছে ।

| | | | |
|---|---|---|---|
| ১। | বাঘমাৰা গাঃ পঃ স, সঃ | চাউল | ৪৪ মেঃ টন । |
| | | চেনী | ২০.৮ মেঃ টন । |
| ২। | দক্ষিণ বগৰীবাৰী গাঃ পঃ সঃ সঃ | চাউল | ৪৯ মেঃ টন । |
| | | চেনী | ২০,২ মেঃ টন । |

শ্ৰীবিৰাজ কুমাৰ শৰ্ম্মা (মন্ত্ৰী) ঃ এই সংক্ৰান্তত উল্লেখ কৰিব পাৰি যে উক্ত সমবায় সমিতি দুখনৰ মাহেকীয়া আবণ্টন বৰপেটাৰ উপায়ুক্তৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি ১৯৮৬ চনৰ নবেম্বৰ মাহৰপৰা হ্ৰাস কৰি মাহে ১৯ মেঃ টন চাউল, ৯.৮ মেঃ টন চেনী বাঘমাৰা সঃ সঃ ক আৰু ২১ মেঃ টন চাউল, ৮.২

মেঃ টন চেনী দক্ষিণ বগৰীবাৰী সঃ সঃ ক দিয়া হৈছিল। বৰ্ত্তমান উক্ত সমবায় সমিতি দুখনক বৰপেটাৰ উপায়ুক্তৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি তলত দিয়া ধৰণে আবণ্টন দি থকা হৈছে।

১। দক্ষিণ বগৰীবাৰী সঃ সঃ — চাউল ২৮ মেঃ টন
চেনী ১২,৫ মেঃ টন
২। বাঘমাৰা সঃ সঃ চাউল ২৫ মেঃ টন
চেনী ১১ মেঃ টন

শ্ৰীমুক্তাৰ হুছেইন : মাননীয় অধ্যক্ষ মহোদয়, এইটো বৰ গুৰুত্বপূৰ্ণ কথা। গাওঁ আৰু চহৰত চাউল আৰু চেনী আমদানি হোৱাৰ কাৰণে ৪.২৫০ গ্ৰাম চাউল, য'ত ৫২ হাজাৰ মেট্ৰিক টন চাউল লাগে তাত ৪০ হাজাব টনহে পাইছে। তাত দেখা যায় ৩ ভাগৰ ২ অংশহে পাইছে। জনসংখ্যা অনুপাতে ৭ হাজাৰ ৭ শ মেট্ৰিক টন চাউল পাব লাগে। কিন্তু এই চৰকাৰ অহাৰ পাচত য'ত ৮০ মেট্ৰিক টন চাউল পাব লাগে তাত মাত্ৰ ৪৯ মেট্ৰিক টনহে চাউল পাইছে। বাঘ-মাৰা আৰু দক্ষিণ বগৰীবাৰী গাওঁ পঞ্চায়ত সমবায় সমিতিক সেই পৰিমাণৰ চাউল দিয়া হৈছে। এই বিৰাট কম পৰিমাণৰ চাউল ইয়াত দিয়া হৈছে বুলি মন্ত্ৰী মহোদয়ে কৈছে। মই জানিব বিচাৰিছো কি ভিত্তিত শতকৰা ৪০০/৫০০ মোন চাউল আৰু চেনী কিয়কমাই দিয়া হৈছে ?

শ্ৰীবিৰাজ কুমাৰ শৰ্ম্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো মাহ হিচাবে নাছিল বছৰ হিচাবেহে।

অধ্যক্ষ ডাঙৰীয়া, ৭৭৭ মেট্ৰিক টন মাহে নহয়, বছৰতহে। মাহে দি আছে ২৮ হাজাৰ মেট্ৰিক টন চাউল আৰু চেনী ১.২৫ মেট্ৰিক টন। বাঘমাৰাত মাহে ২৫ মেট্ৰিক টন দিয়া হৈছে। মাননীয় সদস্য মুক্তাৰ হুছেইনৰ লগত এই সম্পৰ্কত ভাল ধৰণে কথা পাতিছো আৰু ডিৰেক্টৰৰ লগতো ভালকৈ আলোচনা কৰিছো। বৰপেটাৰ উপায়ুক্তৰ প্ৰতিবেদন ক্ৰমে ২৮ মেট্ৰিক টন হৈছে। ২৫ মেট্ৰিক টন চাউল মাহে দি আছো আৰু এইটো বৰপেটাৰ উপায়ুক্তৰ প্ৰতিবেদন ক্ৰমে দিয়া হৈছে। প্ৰতিবেদনত বেচি আহিলে সেই অনুপাতে বঢ়োৱা হয়।

শ্ৰীমুক্তাৰ হুছেইন :—মহকুমা অধিপতিয়ে কি প্ৰতিবেদন দিছে যাৰ কাৰণে আধা চাউল দিছে ? জনসংখ্যা আধা হ'ল নে আন কিবা হ'ল ?

শ্ৰীবিৰাজ কুমাৰ শৰ্ম্মা (মন্ত্ৰী) :—২৫ মেট্ৰিক টন বাঘমাৰাত দিয়া আছে। আগতে বাঘমাৰাত বছৰেকত দিয়া হৈছিল ৪০৩ মেট্ৰিক টন। উপায়ুক্তৰ প্ৰতি-

বেদনৰ ওপৰত ভিত্তি কৰি বস্তুবিলাক দি আছে। ভাৰত চৰকাৰৰপৰা ৬২ হাজাৰ মেট্ৰিক টন চাউল আচুতীয়াকৈ দিবৰ কাৰণে অনুৰোধ কৰা হৈছিল। কিন্তু ৪০ হাজাৰ মেট্ৰিক টন চাউল মাহে আবণ্টন দিছে। বাৰিষা কালত ৪৭ হাজাৰ মেট্ৰিক টন দিছিল। মই দিল্লীলৈ যাওঁতে ৬২ হাজাৰ মেট্ৰিক টন দিয়াৰ কাৰণে অনুৰোধ কৰিছিলো। তেওঁলোকে ৪০ হাজাৰ মেট্ৰিক টনহে দিছে। আমি ডি, চিৰ ৰিপোৰ্ট মতে দি থাকিব লাগিব।

### বিষয়: **বৰপেটাৰ অসামৰিক যক্ষ্মা চিকিৎসালয়।**

শ্ৰীকুমাৰ দীপক দাসে সুধিছে:

*৫১ অনুগ্ৰহ কৰি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী মহোদয়ে জনাবনে?

ক) বৰপেটাত অৱস্থিত অসামৰিক চিকিৎসালয়ৰ একে পৰিসীমাৰ ভিতৰত টি, বি ৰোগী ৰখা আৰু চিকিৎসা কৰাৰ ব্যৱস্থা কৰা কথাটো চৰকাৰে জানেনে?

খ) যদি জানে এই টি, বি ৰোগীক চিকিৎসা আৰু ৰখাৰ কাৰণে অন্য ঠাইৰ ব্যৱস্থা বৰপেটাৰ ভিতৰত কৰিব নেকি?

গ) যদি কৰে কেতিয়া কৰিব?

ঘ) যদি নকৰে কিয় জনাবনে?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

ক) জানে।

খ) বেলেগ ঠাইত ব্যৱস্থা কৰাটো ভৱা নাই।

গ) প্ৰশ্ন নুঠে।

ঘ) বৰ্ত্তমান আধুনিক চিকিৎসা পদ্ধতিমতে যক্ষ্মাৰোগী কক্ষ ঘৰ সাধাৰণ হস্পিতালৰ চৌহদৰপৰা আচুতীয়াকৈ ৰখা কোনো প্ৰয়োজন নহয়।

### Re: **Appointment of Senior B.D.Os.**

Shri Abdul Rob Laskar<br>
Shri Shio SambhuOjha asked :

* 52 Will the Minister of Rural Development be pleased to state :

a) Number of the Senior B.D.Os posted by the Government ?

b) The number of Senior B.D.Os joined so far ?

c) The number of Junior B.D.Os handed over charge to the Senior B.D.Os ?

d) How many Junior B.D.Os did not handover the charge although the Senior B.D.Os joined in the Blocks ?

e) The action, the Government had taken against the Junior B.D.Os who did not handover the charges ?

f) Whether the Government will withdraw Senior B.D.Os who could not take over the charge ?

Shri Chandra Arandhara, (Minister of Rural Development) replied :

a) 55 Nos.

(b) 32 Nos.

(c) 27Nos.

(d) 5 Nos.

e) As some of the B.D.Os had moved Hon'ble High Court at Guwahti and Hon'ble Supreme Court, the Government could not take any disciplinary action instantly.

f) No.

Shri Abul Rob Laskar : Mr. Speaker Sir, May I know from the Hon'ble Minister whether the B.D.O.s who have joined could not be given the charge of B.D.Os ? Has any arrangements made for handing over the charge ?

Shri Chandra Arandhara, (Minister Panchayat) : Some of the B.D.Os submitted petition before the Hon'ble High Court and it was dismissed. Again they moved the Hon'ble

Supreme Court. Unfortunately that was also dismissed by the Hon'ble Supreme Court. Regarding taking over charge, we have already instructed the Deputy Commissioners to take action for handing over charge to the B.D.Os immediately.

Shri Abdul Muhim Mazumdar : Why the original order passed by the Government has not been affected ? What is the present position in regard to discharge order.

Shri Chandra Arandhara, (Minister Panchayat) : The case regarding the B.D.Os is still pending before the Hon'ble High Court.

বিষয় : **অৱসৰপ্ৰাপ্ত শিক্ষকৰ বাবে পেঞ্চন ব্যৱস্থা।**

শ্ৰীকেশব ৰাম বৰাই সুধিছে ঃ

* ৫৩ পেঞ্চন আৰু ৰাজহুৱা বিভাগৰ মাননীয় ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অৱসৰপ্ৰাপ্ত শিক্ষক, কৰ্মচাৰী সকলৰ পেঞ্চন দিয়াৰ আঁচনি চৰকাৰৰ হাতত আছে নেকি ?

খ) যদি আছে এই আঁচনি চৰকাৰে কেতিয়াৰপৰা হাতত লব জনাবনে ?

শ্ৰীকামাখ্যা চৰণ চৌধৰী (পেঞ্চন আৰু ৰাজহুৱা অভিযোগ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) হয়, আছে।

খ) এনে আঁচনি আগৰেপৰা আছে। ২৭।১।৮৭ তাৰিখৰ অধিসূচনা অনুসৰি, ১৯৭৫ চনত চৰকাৰীকৰণ হোৱা প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক সকলকো পেঞ্চন দিয়াৰ ব্যৱস্থা কৰা হৈছে।

**Sub : Pachayat Election**

Shri Shio Shambhu Ojha asked :

* 54 Will the Minister, Panchayat be pleased to State :

a) The proposed date of holding the Panchayat Elections ?

b) The steps taken to prepare Voters List ?

Shri Chandra Arandhara (the Minister of Panchayat and Rural Development) replied :

a) The Government have not as yet finally decided about the date of holding of the Panchayat Elections.

b) Panchayat Election is to be held on the basis of Electoral rolls prepared under the Representation of the Peoples Act, 1951, which is in force.

শ্ৰীমুক্তাৰ হুছেইন : ইয়াৰ আগতে বিধান সভাত মন্ত্ৰী মহোদয়ে কৈছিল ১৯৮৫ চনৰ ভোটাৰ তালিকা মতে যাৰ দ্বাৰা আমি প্ৰতিনিধিত্ব কৰিছো, সেই ভোটাৰ তালিকা মতে পঞ্চায়ত নিৰ্ব্বাচন হব আৰু আজি মন্ত্ৰী মহোদয়ে কৈছে যে নতুন ভোটাৰ তালিকা প্ৰস্তুত কৰা হোৱা নাই। এতিয়া মই জানিব বিছাৰিছো, কেনেকৈ পঞ্চায়ত নিৰ্ব্বাচন আৰু ভোটাৰ তালিকা প্ৰস্তুত কৰা হব ?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (মন্ত্ৰী) : মই কৈছো যে, যিখন ভোটাৰ তালিকা ইন-ফোৰ্চত আছে ১৯৮৫ চনকে বুজাইছে নেকি ?

Shri Abdul Muhib Mazumdar : Sir, I would like to know from the hon'ble Pachayat Minister whether he recollects that in the Assembly last year an assurancc was given that the election would be held in May last year. Now I want to know two things, first when the voters'

list will be completed and secondly, when the elections will be held ?

Shri Chandra Arandhara (Minister) : I would like to inform the House that the President has given his assent to our 3-tier system Panchayat Bill only in November last. I would also like to point out to the House that there will be more than 2500 Gaon Panchayats in the State. So it will be an election having much bigger involvement. I have been pursuing the work and when it will come to a final shape I will inform the House.

Shri Abdul Muhib Mazumdar : The hon'ble Minister cannot leave the matter this way. Panchayats are absolutely paralised there being no panchayat bodies. When the process will be over can the Minister give an approximate time or whether it will be over within a year or it will take the span of the Ministry ?

Shri Chandra Arandhara (Minister) : Sir, the learned friend is a renowned advocate. He can realise that as a Minister of the Department I cannot given an assurance unless and until a date is fixed by the Cabinet.

বিষয় : **হোমিও চিকিৎসা ব্যৱস্থা ।**

শ্ৰীজগত হাজৰিকাই সুধিছে :

* ৫৫ মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) সদৌ অসম হোমিও চিকিৎসক সন্থাক অসমৰ বিভিন্ন চিকিৎসালয় সমূহত নিযুক্তি দিয়াৰ বিষয়ে চৰকাৰে প্ৰতিশ্ৰুতি দিছিল নেকি ?

খ) যদি দিছিল কেনে ধৰণৰ প্ৰতিশ্ৰুতি আছিল আৰু তাক ৰক্ষা কৰিবৰ বাবে ব্যৱস্থা হাতত লৈছে নে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) হয়।

খ) কিছুমান চিকিৎসালয়ত হোমিওপ্যাথিক চিকিৎসা প্ৰৱৰ্ত্তন কৰাৰ চৰকাৰে সিদ্ধান্ত লোৱাৰ প্ৰতিশ্ৰুতি আছিল আৰু ইতিমধ্যে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ ৩০ খন বিচনাযুক্ত গ্ৰামীন চিকিৎসালয়ৰ সংলগ্নকৈ ১০ টা হোমিওপ্যাথিক শাখা খোলাৰ যাৱতীয় ব্যৱস্থা লৈ থকা হৈছে।

শ্ৰীজগত হাজৰীকা : নিযুক্তি কি ভিত্তিত দিয়া হৈছে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) : হোমিওপ্যাথিক ডাক্তৰৰ যি অৰ্হতা আছে সেই ভিত্তিত দিয়া হব।

শ্ৰীজগত হাজৰীকা : হোমিওপ্যাথিক কলেজ সমূহক স্বীকৃতি দিয়া নহলে অৰ্হতা কেনেকৈ কাউণ্ট হব ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) : এতিয়ালৈকে কোনো হোমিওপেথিক কলেজ অধিগ্ৰহণ কৰা নাই। হোমিওপেথিক বোৰ্ডৰপৰা যি সকলে লাইচেঞ্চ পাইছে তেওঁলোকক দিয়া হব।

শ্ৰীকুমাৰ দীপক দাস : হোমিওপেথিক বোৰ্ড কোনে গঠন কৰিছে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) : বোৰ্ডখন চৰকাৰে গঠন কৰিছে আৰু ইলেকটেড মেম্বাৰ থাকে।

শ্ৰী ডঃ কমলা কলিতা : হোমিওপেথিক চিকিৎসক ৩০ খন বিচনাযুক্ত আৰু প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত নিযুক্তি দিয়াৰ যি কথা কৈছে তেওঁলোকে এলোপেথিক ঔষধ প্ৰেস্কাইব কৰিব নে হোমিওপেথিক ঔষধ প্ৰেস্কাইব কৰিব ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : হোমিওপেথিক ডাক্তৰে হোমিওপেথিক ঔষধ প্ৰেস্কাইব কৰিব।

শ্ৰী ডঃ কমলা কলিতা : ভুৱা চিকিৎসক সকলে ভুৱা ঔষধ প্ৰেস্কাইব কৰি আছে তেওঁলোকৰ কি ব্যৱস্থা লৈছে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) : আমি নীতি নিয়মৰ মাজেৰে লব পাৰো। গতিকে কিবা যদি নথিপত্ৰ আছে মাননীয় সদস্য গৰাকীয়ে আনি দিলে আমি নিশ্চয় তাৰ একচন লম।

শ্ৰীকুল বাহাদুৰ চেত্ৰী : স্বাস্থ্য মন্ত্ৰীৰ পৰা জানিব বিছাৰিছো যে কুকুৰে

কামোৰা বেজিৰ ক্ষেত্ৰত কেনেধৰণৰ ব্যৱস্থা আছে আৰু ক'ত পোৱা যায় ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ হোমিওপেথিক বেজিৰ কথা কৈছে নে নৰমেল বেজিৰ কথা কৈছে ? যদি হোমিওপেথিক বেজিৰ কথা কৈছে তেনেহলে আমাৰ নাই। যদি নৰমেল বেজিৰ কথা কৈছে তেনেহলে বেলেগ প্ৰশ্ন দিব লাগিব।

শ্ৰীজগত হাজৰীকা ঃ আগতে প্ৰতিশ্ৰুতি দিয়া হৈছিল যে চাৰিখন মহাবিদ্যালয় চৰকাৰীকৰণ কৰা হব। এতিয়া কি ব্যৱস্থা লৈছে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ তেনেকুৱা প্ৰতিশ্ৰুতি কেতিয়াও দিয়া নাই। বৰ্ত্তমান এখন কলেজৰ কথা বিবেচনাধীন হৈ আছে।

### Re : **Hospital at Hojai.**

Shri Ardhendu Kr. Dev asked :

*56 Will the Minister, Health & F. W. be pleased to state :

a) Whether it is a fact that a thirty bedded Hospital was sanctioned at Hojai one year back, but it is no yet been functioning ?

b) It is whether the Government is going to take positive action for functioning of the same ?

Shri Chandra Mohan Patowari, (Minister Health & F.W. replied :

a) Yes

b) Yes

Shri Ardhendu Kumar Dey : I am very much glad for the answer. This answer is repeated for the second time. Will the Minister go through the letter No. HLA. 643/

85/19, dated 10.12.85 from Shri D. K. Datta in connection with creation of additional posts for Civil Hospitals. In this list of Hospitals Hojai was included. This is the second time assurance is given in the floor of the House. Why the sanctioned 30 bed Hospital is not functioning when the Ministers are going to create more 30 bed hospitals in the state ? Why the already created 30 bed hospital at Hojai is not functioning ?

Shri Chandra Mohan Patowari, (Minister) : I would like to inform the hon'ble member that so far as my knowledge goes Hojai hospital is running. Sir, for the information of the hon'ble member I will refer to the letter No. HLA. 643/85/19 dated 10.12.85. The hospital is at present functioning with twenty beds and fulfledged 30 bedded Rural Hospital will be started after completion of new buildings by the PWD.

Undisposed Starred Questions

(To which oral answers were not called for want of time. However written answers deemed to have been laid on the table as follows)

বিষয় : **কাহিবাৰী ৰাজ্যিক পশু চিকিৎসালয় ।**

শ্ৰীগোপীনাথ দাসে সুধিছে :

*৫৭ পশুপালন ও পশুচিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) কামৰূপ জিলাৰ কাহিবাৰী ৰাজ্যিক পশু চিকিৎসালয়টো মেৰামতি

কৰা হৈছেনে ?

খ) যদি হোৱা নাই তেন্তে তাৰ কাৰণ জনাবনে ?

শ্ৰীনগেন শৰ্ম্মা (পশুপালন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) এই বছছৰৰ ভিতৰত কাহিবাৰী ৰাজ্যিক পশু চিকিৎসালয়টোৰ মেৰামতিৰ কাম হাতত লোৱা হৈছে ।

খ) প্ৰশ্ন নুঠে ।

## বিষয় ঃ **খোৱাং মহাবিদ্যালয়ত মীন ফাৰ্ম ।**

শ্ৰীকিৰণ কুমাৰ গগৈয়ে সুধিছে ঃ

* ৫৮ মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) যোৱা ১৯৮৫ চনত ডিব্ৰুগড় জিলা গ্ৰামোন্নয়ন বিভাগে খোৱাং উন্নয়ন খণ্ডৰ জৰিয়তে খোৱাং মহাবিদ্যালয়ত মীন ফাৰ্মৰ বাবে এটা পুখুৰী খান্দিবলৈ আচনি লোৱাটো সত্যনে ?

খ) যদি সত্য, তেনেহলে উক্ত আচনিত কিমান টকা ব্যয় কৰা হৈছিল ?

গ) আচনিৰ কাম সম্পূৰ্ণ হ'লনে ?

ঘ) যদি সম্পূৰ্ণ হোৱা নাই, তাৰ কাৰণ কি অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীযুত চন্দ্ৰ আৱন্ধৱা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) হয়, কথাটো সঁচা ।

খ) চৰকাৰে পোৱা তথ্য অনুসৰি এই আঁচনিৰ যোগেদি ৯৫১৯৫·০০ টকা খৰছ কৰা হৈছে ।

গ) নাই হোৱা ।

ঘ) আঁচনি ৰূপায়ণৰ সময়ত মুখ্যতঃ স্থানীয় কৰ্ম্মীৰ কিছু অভাৱ হোৱা কাৰণে কামৰ অগ্ৰগতি আশা কৰা ধৰণে হোৱা নাছিল । বাকী থকা কাম ক্ষিপ্ৰতাৰে সমাধা কৰিবলৈ ডিব্ৰুগড় জিলাৰ গ্ৰামোন্নয়ন সংস্থাক নিৰ্দ্দেশ দিয়া হৈছে ।

## বিষয় ঃ **তিতাবৰত বেচম মহাবিদ্যালয় স্থাপন ।**

শ্ৰীদেৱ কুমাৰ বৰাই সুধিছে ঃ

*৫৯ মাননীয় ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

ক) তিতাবৰত এখন পূৰ্ণাঙ্গ ৰেচম বিজ্ঞান মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ বাবে অসম চৰকাৰৰ তৰফৰ পৰা কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা প্ৰকল্প প্ৰতিবেদন প্ৰস্তাৱত অসম চৰকাৰে অনুমোদন পাইছে নেকি?

খ) যদি পাইছে, বাৰ্ষিক আৱণ্টন কেনে ধৰণৰ?

গ) যদি নাই পোৱা, কেন্দ্ৰীয় চৰকাৰে তাৰ কিবা কাৰণ জনাইছে নেকি?

শ্ৰীনগেন শৰ্ম্মা, (ৰেচম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

ক) তিতাবৰত এখন পূৰ্ণাঙ্গ ৰেচম বিজ্ঞান মহাবিদ্যালয় প্ৰতিস্থা কৰাৰ প্ৰস্তাৱত কেন্দ্ৰীয় চৰকাৰৰ পৰিকল্পনা আয়োগে অনুমোদন জনাইছে।

খ) অহা ১৯৮৭-৮৮ বিত্তীয় বছৰটোৰ কাৰণে ৫০ লাখ টকাৰ আৱণ্টন পোৱা হৈছে।

গ) প্ৰশ্ন নুঠে।

বিষয়: **সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ কাৰ্য্যালয়।**

শ্ৰীমকবুল হুছেইনে সুধিছে:

*৬০ মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

ক) গোৱালপাৰা জিলাৰ সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ অন্তৰ্গত নতুনকৈ আন এটা উন্নয়ন খণ্ড কাৰ্য্যালয় কৰাৰ সিদ্ধান্ত চৰকাৰে লৈছে নে?

খ) যদি লৈছে তেন্তে উক্ত কাৰ্য্যালয়ৰ বাবে স্থান নিৰ্ণয় হৈছে নে আৰু যদি হৈছে ক'ত কৰা হৈছে?

গ) উক্ত স্থান নিৰ্ণয়ৰ দায়িত্ব কাক আৰু কি নিয়মত কৰিবলৈ দিয়া হৈছে?

শ্ৰীযুত চন্দ্ৰ আৰঙ্কৰা (পঞ্চায়ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

ক) উন্নয়ন খণ্ড পুনৰ্গঠনৰ বিষয়টো বৰ্ত্তমানে চৰকাৰৰ বিবেচনাধীন হৈ আছে।

খ) আৰু (গ) এতিয়ালৈকে চূড়ান্ত সিদ্ধান্ত লোৱা হোৱা নাই। সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ পুনৰ্গঠনৰ কথাটোও সামূহিক সিদ্ধান্ত ওপৰত নিৰ্ভৰ কৰিব।

## UNSTARRED QUESTIONS

(To which oral answers were not called for want of time. However written answers deemed to have been laid on the table as follows)

### বিষয়ঃ **পশুচিকিৎসাৰ উপকেন্দ্ৰ স্থাপন।**

শ্ৰীদেবেশ্বৰ বৰাই সুধিছেঃ

৫২ পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯৮৬-৮৭ চনত অসমৰ কিমান আৰু কোন কোন ঠাইত নতুনকৈ পশুপালন উপকেন্দ্ৰ আৰু প্ৰাথমিক পশুপালন কেন্দ্ৰ স্থাপন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে ?

খ) মেৰাপানীত চৰকাৰে প্ৰাথমিক কেন্দ্ৰ স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে নেকি ?

গ) যদি কৰিছে কেতিয়াৰপৰা আৰম্ভ হব ?

শ্ৰীনগেন শৰ্ম্মা (পশুপালন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

ক) ১৯৮৬-৮৭ চনত পশুপালন আৰু পশু চিকিৎসা বিভাগে সাধাৰণ পৰিকল্পনাৰ শিতানত জনজাতি আৰু অনুসূচীত জনজাতি পৰিকল্পনাত নতুনকৈ মুঠ ২৬ খন পশু চিকিৎসালয়, ২৪ খন প্ৰাথমিক পশু চিকিৎসা কেন্দ্ৰ আৰু ১০ খন প্ৰাথমিক গো প্ৰজনন কেন্দ্ৰ স্থাপন কৰিবলৈ হাতত লৈছে। সদনৰ মজিয়াত তালিকাখন ৰখা হৈছে। (তালিকা অনুবন্ধ '১' ত চাওঁক)

খ) ১৯৮৬-৮৭ চনত মেৰাপানীত কোনো প্ৰাথমিক কেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত লোৱা হোৱা নাই। কিন্তু ৰাজ্যিক পশু চিকিৎসালয় স্থাপনৰ সিদ্ধান্ত লোৱা হৈছে।

গ) সোনকালে কাম আৰম্ভ হব।

### Re: **Veterinary Sub-Centre at Mancachar.**

Shri Aminul Islam asked :

53. Will the Minister of Veterinary be pleased to state :

a) Whether the Government will be pleased to consider for establishing Veterinary Sub-Centre at the following places in Mancachar Constituency ?

i) Jhanjhani, ii) Jordanga iii) Dharakoba, iv) Baliabeel v) Chirakhowa vi) Puthimari vii) Tapolepara viii) Kanaimara ix) Kokradonga x) Mandarpara.

b) If so when the same are going to be established ?

Shri Nagen Sarma (the Minister of Veterinary) replied :

a) There is no proposal at present for establishment of Veterinary Sub-Centres at the places mentioned in the question. The establishment of such Sub-Centres at these locations in future will depend on their overall suitability as per norms of the Deptt.

b) Does not arise at present.

বিষয় : **D. R. D. A ৰ কামৰ ঠিকা।**

শ্ৰীইউছুফ আলী আহমেদে সুধিছে :

৫৪ মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ধুবুৰী জিলাৰ DRDA ৰ Governing Body য়ে যোৱা ৯/৯/৮৬ তাৰিখে NREP আৰু RLEGP Scheme ৰ অধীনত প্ৰত্যেক বছৰে হৰ লগা বিদ্যালয় সমূহৰ সম্পূৰ্ণ কাম এজন ঠিকাদাৰক দিয়া হব লাগে বুলি প্ৰস্তাৱ লোৱা হৈছিল নেকি ?

খ) যদি হৈছিল উক্ত প্ৰস্তাৱ অনুসৰি একোখন বিদ্যালয়ৰ সম্পূৰ্ণ কাম এজন ঠিকাদাৰক দি অহা হৈছেনে ?

গ) যদি হোৱা নাই ইয়াৰ কাৰণ কি ?

শ্ৰীচন্দ্ৰ আবন্ধৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) হয়। যোৱা ২৬/১১/৮৬ তাৰিখে, পৰিচালনা সমিতিৰ সিদ্ধান্ত মৰ্ম্মে নিৰ্দ্দেশ দিয়া হয় যে, বিদ্যালয়ৰ ঘৰ নিৰ্ম্মাণৰ কাৰণে যাৱতীয় নিৰ্ম্মাণ সামগ্ৰী বিদ্যালয়ৰ আচনিৰ অনুসৰি কাৰিকৰী উপ-সমিতিয়ে বান্ধি দিয়া মূল্য তালিকা মতে মনোনীত যোগানকাৰীক যোগান ধৰিবলৈ দিয়া হব।

খ) নাই হোৱা।

গ) কাৰিকৰী উপ-সমিতিয়ে নতুন নিৰিখ মূল্য ধাৰ্য্য কৰি দিয়াৰ পিছত আৰু নতুন মূল্য প্ৰতিবেদন গ্ৰহণ কৰাৰ পিছতহে পৰিচালনা কমিটিৰ সিদ্ধান্ত-বোৰ কাৰ্য্যকৰী কৰিব পৰা হব। ইতিমধ্যে এইয়া কৰিবলৈ ব্যৱস্থা লোৱা হৈছে আৰু নতুন ঠিকাদাৰৰ লগত চুক্তিপত্ৰ চহী হব ধৰিছে। পৰিচালনা সমিতিৰ নিৰ্দ্দেশাৱলী, ধুবুৰী ডি, আৰ, ডি, এয়ে সম্পূৰ্ণভাৱে মানি চলিছে।

বিষয় ঃ **মীন পালকলৈ সাহায্য।**

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে ঃ

৫৫ মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) গোৱালপাৰা জিলাৰ অনুসূচীত জাতি-জনজাতিৰ বাহিৰে অন্যান্য শ্ৰেণীৰ মীন পালক সকলক ১৯৮৬-৮৭ বিত্তীয় বছৰটোত সৰ্ব্বমুঠ কিমান টকা সাহায্য দিয়া হৈছিল?

খ) উক্ত জিলাত, উক্ত বিত্তীয় বছৰটোত কিমানজন মীন পালকৰ পৰা কিমানখন আবেদন পত্ৰ পাইছিল?

গ) প্ৰতিজন আবেদনকাৰীক কিমানকৈ টকা দিয়া হৈছিল?

শ্ৰীনগেন শৰ্ম্মা (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) গোৱালপাৰা মহকুমাৰ পুখুৰী উন্নয়নৰ বাবে ১০,০০০ টকা আৰু সামগ্ৰীৰ বাবে ২,০০০ টকা আৰু উত্তৰ শালমাৰা মহকুমাৰ বাবে পুখুৰী উন্নয়নৰ কাৰণে ৮,০০০ টকা আৰু সামগ্ৰীৰ বাবে ২,০০০ টকা বৰ্ত্তমান বিত্তীয় বছৰত ধাৰ্য্য কৰা হৈছে। এই সাহায্যৰ টকা এক সপ্তাহৰ ভিতৰত বিতৰণ

কৰা হব।

খ) ৯৮৩ খন আবেদন পত্ৰ পোৱা হৈছিল।

গ) টকা এতিয়াও দিয়া হোৱা নাই।

বিষয়ঃ **তদন্তৰ প্ৰতিবেদন।**

শ্ৰীভবেন নাৰ্জীয়ে সুধিছে :

৫৬ মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

তামুলপুৰ উন্নয়ন খণ্ডৰ অফিচ তদন্তৰ প্ৰতিবেদন কি পৰ্য্যায়ত আছে ?

শ্ৰীচন্দ্ৰ আৰক্ষৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

চৰকাৰৰ আদেশমতে তামোলপুৰৰ উপ-প্ৰতি সমাহৰ্ত্তাই ১৪/১১/৮৬ তাৰিখে তামোলপুৰ উন্নয়ন খণ্ডৰ ভৰাল জব্দ কৰে। তদন্তকাৰী বিষয়াবপৰা চুড়ান্ত প্ৰতিবেদন পালে বিহিত ব্যৱস্থা লোৱা হব।

বিষয় : **১০০ খন বিচনা যুক্ত চিকিৎসালয়**

শ্ৰীমতী জোৎস্না সোনোৱালে সুধিছে :

৫৭ মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসমৰ সকলো প্ৰশাসনীয় মহকুমাতে ১০০ (এশ) খন বিচনা যুক্ত চিকিৎসালয় স্থাপনৰ কাম কিমান দুৰ আগবাঢ়িছে জনাবনে ?

খ) শদিয়া মহকুমাত ১০০ (এশ) খন বিচনাযুক্ত চিকিৎসালয় স্থাপনৰ আচনি গ্ৰহন কৰিছে নেকি ?

গ) যদি কৰিছে তেন্তে কেতিয়া আধাৰ শিলা স্থাপন কৰিব ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) নীতিগত ভাবে প্ৰত্যেক মহকুমা সদৰত এটাকৈ ১০০ খন বিচনাযুক্ত হস্পিতাল স্থাপনৰ বাবে অসম চৰকাৰে সিদ্ধান্ত লৈছে। ধেমাজী আৰু মৰিগাওঁত ১০০খন বিচনা যুক্ত হস্পিতাল নিৰ্মানৰ কাম সমাপ্ত হৈছে। গোলাঘাটত এখন ১০০ বিচনা যুক্ত হস্পিতাল আছেই। তিনিচুকীয়া, গোঁসাই গাওঁ আৰু হাইলাকান্দিত এনেকুৱা হস্পিতালৰ কাম আগবাঢ়ি আছে। হস্পিতালৰ বাবে

পৰিকল্পনা মঞ্জুৰিৰ অভাবত বৰ্ত্তমান আন মহকুমা সদৰত ৩০খন বিচনা যুক্ত হস্পিতাল স্থাপনৰ সিদ্ধান্ত চৰকাৰে লৈছে। এই বিলাক পৰ্য্যায় ক্ৰমে ১০০ খন বিচনা যুক্ত হস্পিতাললৈ ৰূপান্তৰিত কৰা হব। উপৰোক্ত সিদ্ধান্ত মৰ্মে আন আন মহকুমা সদৰত পোনপ্ৰথমে ৩০ খন বিচনা যুক্ত হস্পিতাল নিৰ্মানৰ কাৰণে ব্যৱস্থা লোৱা হৈ আছে।

খ) উপৰোক্ত সিদ্ধান্ত অনুসৰি সদিয়া মহকুমাৰ ছাপাখোৱাত এখন ৩০ খনীয়া হস্পিতাল নিৰ্ম্মানৰ কাৰনে গড়কাপ্তানী বিভাগৰ পৰা প্ৰাককলন বিচৰা হৈছে। প্ৰাককলন পোৱাৰ পিচত প্ৰশাসনীয় অনুমোদন জনোৱা হব।

গ) প্ৰশাসনীয় অনুমোদন জনোৱাৰ পিছতহে আধাৰশিলা স্থাপনৰ বাবে তাৰিখ ধাৰ্য্য কৰিব পৰা হব।

## বিষয় : **গাওঁ পঞ্চায়তৰ সম্পাদকৰ দৰমহা।**

আব্দুল জলিলে সুধিছে :

৫৮ মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে জনাবনে ?

ক) অসমত মুঠ কিমান গাওঁ পঞ্চায়ত আছে ?

খ) গাওঁ পঞ্চায়ত সমূহত কিমান সম্পাদক আছে ?

গ) সম্পাদক সকলে নিয়মীয়াকৈ দৰমহা পাই আছে নেকি ?

শ্ৰীচন্দ্ৰ আৰন্ধৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) অসমত বৰ্ত্তমান সাতশ চৈধ্য (৭১৪) খন গাওঁ পঞ্চায়ত আছে।

খ) সকলো গাওঁ পঞ্চায়তে এজনকৈ সম্পাদক আছে।

গ) নাই পোৱা।

## Re. : **JARUA BANDIHANA GAON PANCHAYAT.**

Shri Dewan Joynal Abedin, asked :

59 Will the Minister Panchayat and Rural Development be pleased to state :

a) In which Civil Sub-Division which Block and which

Revenue Circle Jarua Bandihana Gaon Panchayat (undivided) is situated ?

b) Whether they are receiving them due Share of Local Rates revenue and other Share of Developmental works regularly ?

Shri Chandra Arandhara ( the Minister of Panchayat and Rural Development ) will reply.

a) Jarua Bandihana Gaon Panchayat (undivided) situated in Dhubri Civil Sub-Division and South Salmara Development Block and within Bagribari Revenue Circle in Dhubri District.

b) The above Gaon Panchayat is getting their share of Local Rates / Land Revenue and other dues from time to time.

বিষয় : **কনিষ্ঠ অভিযন্তাৰ নিযুক্তি ।**

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে :

৬০ মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) খণ্ড উন্নয়ন বিষয়া সমূহৰ কাৰ্য্যালয়ত বৰ্ত্তমানলৈকে কিমান জন কনিষ্ঠ অভিযন্তাৰ নিয়োগ কৰা হ'ল ।

খ) কনিষ্ঠ অভিযন্তা সমূহক নিয়োগ কৰাৰ নীতি কি ?

গ) কিমানটা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয়ত কনিষ্ঠ অভিযন্তা বৰ্ত্তমানেও নিয়োগ কৰিবলৈ বাকী আছে ?

ঘ) উক্ত খণ্ডবোৰত কেতিয়া উক্ত অভিযন্তা নিয়োগ কৰা হব ?

শ্ৰীযুত চন্দ্ৰ আৰন্ধৰা, (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ) য়ে উত্তৰ দিছে :

ক) ২৬৮ জন ।

খ] অসম লোকসেৱা আয়োগৰ অনুমোদন সাপেক্ষে স্থায়ী ভাবে মকৰল কৰা হয়। জৰুৰী কামৰ পৰিপ্ৰেক্ষিতত চৰকাৰৰ নীতি অনুযায়ী সম্পূৰ্ণ অস্থায়ী ভাবে কনিষ্ঠ অভিযন্তা নিয়োগ কৰা হয়।

গ] আৰু ঘ] সকলো উন্নয়ন খণ্ডতে কনিষ্ঠ অভিযন্তা নিয়োগ কৰা হৈছে; কিন্তু কোনো কোনোৱে কাৰ্য্যভাৰ গ্ৰহন কৰা নাই আৰু কোনো কোনোৱে যোগদান দিয়াৰ পাচত ইস্তাফা দি গুছি গৈছে।

**বিষয়: ৩০ খন বিচনাযুক্ত চিকিৎসালয় স্থাপন সম্পৰ্কে।**

শ্ৰীৰামেন্দ্ৰ দে ই সুধিছে:

৬১ মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক] আসাম রাজ্যে ৩০ শয্যা বিশিষ্ট হাস্পাতাল ১৯৮৬-৮৭ ইংরাজীতে স্থাপন করার সিদ্ধান্ত সরকারের আছে কি ?

খ] কতটা হাস্পাতালের কাজ আৰম্ভ হয়েছে ?

গ] শ্ৰীগৌরীতে ৩০ শয্যা বিশিষ্ট হাস্প্যাতাল নির্ম্মানের কাজ কবে আরম্ভ হবে ?

ঘ) ভিত্তিপ্রস্তর কবে পর্য্যন্ত স্থাপন করা হবে ?

উত্তৰ দিব স্বাস্থ্য বিভাগৰ মন্ত্ৰী [ শ্ৰীপাটোৱাৰী ] মহোদয়ে।

ক) আছে।

খ) এতিয়ালৈকে ৪০ খন হস্পিতাল নিৰ্ম্মানৰ কাৰণে প্ৰশাসনীয় অনুমোদন জনোৱা হৈছে। কিমানখন হস্পিতালৰ কাম আৰম্ভ কৰা হৈছে তাৰ প্ৰতিবেদন গড়কাপ্তানী বিভাগৰ পৰা পোৱা নাই।

গ) চলিত বিত্তীয় বছৰত।

ঘ) দিন ধাৰ্য্য হোৱা নাই।

[ Unstarred Question No. 62 was not laid on the table as the reply was not received by the Assembly Secretariat ]

বিষয় : **খাদ্য সামগ্ৰীৰ ভাণ্ডাৰ।**

শ্ৰীৰামেন্দ্ৰ দে ই জিজ্ঞাছা করিয়াছেন।

৬৩ মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেনকি ?

ক) খাদ্য ঘাটতি পূরনের জন্য রাজ্য সরকার খাদ্য সামগ্ৰীৱ প্ৰয়োজনীয় মজুত ভাণ্ডার প্ৰতিটি জিলায় বৰ্ষাৰ আগে গড়েতুলার কি ব্যবস্থা গ্ৰহণ করেছেন ?

খ) কাছাড় জিলা ও করিমগঞ্জ জিলায় খাদ্য সামগ্ৰী ঘাটতির পরিমান কি ?

গ] বৰ্ষার আগে প্ৰয়োজনীয় খাদ্য সামগ্ৰী জিলা মহকুমা ও বলক পৰ্য্যায়ে মজুত করার কোন ব্যবস্থা হয়েছেকি ?

Shri Biraj Kr. Sarma [ Minister, Food & Civil Supplies ] replied :

a] For storage of Food Staff during monsoon period, the Sr. Regional Manager, FCI, Assam Region has already been requested to build up buffer stock of Food Grains within the State to the tune of 1,20,000 MT. rice and 1,20,000 MT. wheat before the onset of Monsoon.

b] Shortage of Rice in Cachar Dist. is 2686 MT. and in Karimganj Dist. is 1100 MT.

c] To maintain un-interrupted supply of rice, wheat even during monsoon period the FCI authorities has already been requested to build up a buffer stock of 15,500 MT. of rice and 16,800 MT of wheat at Silchar / Badarpur / Karimganj in addition to the meeting of normal requirement of rice and wheat under FDS.

Re : **Kumartilla Dispensary.**

Shri Altaf Hussain Mazumdar asked :

64 Will the Minister, Health & F. W. be pleased to State :

a) Is it a fact that Kumartilla (Kalinagar under CMHO. Cachar) is situated in the Scheduled Caste area, If so, has it been included for upgradation for PHC ?

b) Is it a fact that Hon'ble Minister passed an order on 12/8/86 for its upgradation to PHC ?

House like the A.G.P. members. After the installation of the Government we heard many commitments on the floor of this House from the Treasury Bench. At that time we expected that as per commitments made both on the floor of the House as also outside, definitely a clean and efficient Government would be running in the state but today not only our hopes and aspirations has been belived with regard to the performance of this Government but I think those people who have voted this Government into power, they also are loosing their faith and confidence upon this Government because during the last one year so far as the implementation of the different works and schemes are concerned we find no development taking place in the State. Sir, it is known to us all that last year was a very crucial year for the people of our State because of the unusual drought and flood which completely broke the economy of our people. Sir, it is known to everyone that 80% of the people of our state reside in rural areas and those people residing in the rural areas mainly base their livelihood on agriculture; and when the agricultural crops were damaged we can imagine about the economic condition of our people. The mistake committed by the State Government by dismissing the B.D.Os, the entire development works in the block areas of the state came to standstill. I would like to congratulate my Hon'ble friend Mr. Deba Bora and Mr. Zoii Nath Sarma because they have categorically stated that there was no developmental work during the last year. So, because of their honest submission I am rather bound to congratulate them. Sir, while this sort of sub-

missions are made on the floor of the House, I think nobody can challenge about the complete and uttar failure of this Government during the last one year. Sir, the Address of the Governor is without any substance at all. There is no mention about the Venture Schools in the State which were established at the people's initiative. Sir, lots of schools are there. It is the policy of the Government that education should be spread to all sections of people but unfortunatly there is no attempt to take over the venture schools. So I would like to request that there should at least be some thinking on the part of the Government for taking over the L. P. schools which are in existence for the last many years in various parts of our State.

Now, Sir, I would like to say something about the grants given to the L.P. Schools, Sir, all the opposition were given 12 schools in their constituencies but we find there is discrimination so far as grants given to the number of schools in the constituencies of the A. G. P. members. Sir, we never expected that such discrimination will be done with regard to building grants. Our Hon'ble Education Minister, said repeatedly on the floor of the House that in the matter of education there will not be any politics we were happy at that time but it is a matter of great dissatisfaction that even though the Education Minister said that there will be no politicalisation in the educational sphere he set an example by making discrimination. This is very unfortunate. Sir, the Education Minister may commit a mistake but our Hon'ble Chief Minister is there to look to things. I never spoke ill

about our Chief Minister even in my constituency because I have great regard toward this gentleman though I belong to the opposition party but I am very much surprised to know that 55 numbers of schools have been given building grants falling within the constituency of the Hon'ble Chief Minister. Sir, though we belong to the opposition group we demand that the Chief Minister should get a national image. We never thought that the Chief Minister will try to improve his image within the periphery of his own constituency by taking more building grants for schools. Sir, until and unless equal treatment is given to the people belonging to the all sections of people, there will be repurcussion no doubt about it. Sir, so far a grant of funds in the state is concerned, definitely the Centre will take note of it that the State Government is making discrimination at the time of distributing money towards various sections of the people. So, I would like to draw the attention of the Government, through you, Sir, that at least in the matter of all these things some consideration should be given by the Government. Sir, I have seen in the news paper the other day that the attitude shown by Dr. B. C. Roy the then Chief Minister of West Bengal and how he carried the opposition in the House. So, it is not only the duty of the Government but it is also the duty of the opposition to see that there should be equal development throughout the State. So far as the development work of the state is concerned my friend Shri Kutum has made some observations but I think he spoke without any record. So, I like to request that on the Governor's Address there should be some mention

about this. So sir, with this, as less time at my disposal, I could not elaborate many things. I only just put forward the grievances of the people of the State. So sir, with these few words, I conclude.

*কুমাৰ দীপক দাস : সভাপতি মহোদয় অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াই যি ধন্য বাদসূচক প্ৰস্তাৱ উত্থাপন কৰিছে সেই প্ৰস্তাৱটো মই সমৰ্থন কৰিছো আৰু সমৰ্থন কৰিবলৈ গৈ মই দুআষাৰ বক্তব্য ৰাখিবলৈ বিচাৰিছো। মোৰ বক্তব্য ৰাখোতে যি কেইটা বিষয়ৰ ওপৰত আলোচনা কৰিব লাগে সেই কেইটাৰ ওপৰত বক্তব্য ৰখাৰ আগতে অসম চুক্তি সম্পৰ্কত মই চমুকৈ মোৰ বক্তব্য ৰাখিব বিচাৰিছো, এই কাৰণেই যাতে অসম চুক্তিৰ বিৰোধিতা নকৰি কেনেকৈ ইয়াক কাৰ্য্যকৰী কৰিব পাৰি সেইটোতহে একমত হব লাগে।

অসম চুক্তি যে কাৰ্য্যকৰী কৰিব লাগিব সেই ক্ষেত্ৰত অসম চৰকাৰ দৃঢ় প্ৰতিজ্ঞ। সেই কাৰণে অসম চুক্তিৰ বিৰোধিতা বিধান সভাৰ বাহিৰত বা ভিতৰত কৰক ইয়াৰ প্ৰতি আমি কৰ্ণপাত নকৰো। আমি জানো যে বীৰ স্বহীদ খৰ্গেশ্বৰ তালুকদাৰ, মুকুন্দ বৰা সকলৰ কাম সম্পূৰ্ণ কৰিবলৈ বৰ্ত্তমানৰ অসম চৰকাৰ বাধ্য। এই চুক্তিক কাৰ্য্যকৰি কৰাৰ কাৰণে আমাৰ জীৱন প্ৰনিপাত কৰাৰ কাৰণে প্ৰস্তুত আছো। এই চুক্তি কাৰ্য্যকৰী কৰাৰ কাৰণে আগবাঢ়ি যামেই। আচৰিত কথা হ'ল বিধান সভাৰ মজিয়াত বিৰোধী পক্ষৰ এজন সদস্যই ব্যক্তব্য ৰাখিছে যে আমি সাম্প্ৰদায়িক গণ্ডীৰ ভিতৰলৈ গৈ কাম কৰিবলৈ গৈছো। কিন্তু সাম্প্ৰদায়িক উচতনি কোনে দিছে। নিজে এজন বাও পন্থি দলৰ সদস্য হৈও মালিগাৱৰ বঙালী মানুহক উচতনি দিয়াৰ কাৰণে জ্যোতি বসুক পশ্চিমবঙ্গৰ পৰা লৈ অহা হৈছিল।

শ্ৰীহেমেন দাস : ১৯৭৮ চনৰ পৰা তেওঁ অসমলৈ অহা নাই।

শ্ৰীকুমাৰ দীপক দাস : সাম্প্ৰদায়ীক উচতনি কোনে দিছে ? তেওঁলোকে দিছে। কিছু সদস্যই বিদেশী নাগৰিকৰ চিনাক্তকৰণৰ নামত হাৰাশাস্তি কৰা হৈছে বুলি কৈছে। ইয়াত কাকো হাৰাশাস্তি কৰা হোৱা নাই। দেশৰ আইন কানুন মানি চলিব লাগিব। দকাইতি কেচ এটা অনুসন্ধান কৰিব

* Speech not corrected.

যাওঁতে কাৰোবাক মাতি আনি প্ৰশ্ন কৰোতে হাৰাশাস্তি কৰা হব নেকি ? থিক সেই ধৰণে ভাৰতীয় নাগৰিক হয়নে নহয় এই কথা সুধিব পাৰে। সেই কাৰণে এনে ধৰণৰ কথা বিলাক উত্থাপন কৰিব নালাগে। আমি সকলোৱে জানো যে কংগ্ৰেছ চৰকাৰৰ ৩৮ বছৰ শোষণৰ কাৰণে অসমৰ জনসাধাৰণৰ দুৰ্দশাগ্ৰস্ত হৈছে। আজি হত্যা লুণ্ঠন হৈছে। ইয়াৰ বাবে দায়ী কোন ? ট্ৰাইবেল সকলৰ মাটি নাই তাৰ বাবে দায়ী কোন ? AGP চৰকাৰ ইয়াৰ বাবে responsible ? আজি ইমান বছৰে যি অত্যাচাৰ চলি আহিছে সেই অত্যাচাৰ বন্ধ কৰিব লাগিব। সেই অত্যাচাৰ শোষণৰ বিৰোদ্ধে ইয়াত কিন্তু কোনেও মাত মতা নাই। বিগত বানপানীৰ সময়ত চৰকাৰে নিজৰ দায়িত্বৰ যতপৰনাষ্টি পালন কৰিছে। যিসকলৰ অসুবিধাৰ সৃষ্টি হৈছিল সেইসকলক ঋন আদি দিয়া হৈছিল। এই বছৰত যিমানখিনি সাহাৰ্য্য পাইছে আগতে কোনো দিনে পোৱা নাই বুলি বানপীড়িত ৰাইজে কৈছে। এইখিনি কথা মাননীয় সদস্য সকলে কব খোজা নাই বৰঞ্চ বিৰোধিতা কৰিছে। ৭·৫০ পইচাত আলু দিয়াৰ কথা আহিছে। দুৰ্নীতি আগতে নাছিল নেকি ? এই সম্পৰ্কত চৰকাৰে ব্যৱস্থা লৈছে আৰু বন্ধ কৰাৰ কাৰণে ব্যৱস্থা হাতত লৈছে! এই ক্ষেত্ৰত সকলোৱে সহযোগিতা লাগিব অকল চৰকাৰে দুৰ্নীতি বন্ধ কৰিব নোৱাৰে। ভোট কোনে দিয়ে, মানুহেহে দিয়ে। গতিকে সকলোৱে যদি সহযোগ কৰে দুৰ্নীতি নিশ্চয় বন্ধ হব। গতিকে বিৰোধী পক্ষৰ সদস্য সকলে এই কথাত সহযোগ কৰিব লাগে। বিৰোধী পক্ষৰ সদস্য সকলে ৰাজ্যপালৰ ভাষণৰ সময়ত ভাষণ শুনিব লাগিছিল! কিন্তু সদনকক্ষ ত্যাগ কৰাহে দেখা গ'ল। কিন্তু ৰাজ্যপালক ৰাজনীতিৰ মাজতহে সুমুৱাই লোৱা হৈছে। ইয়াৰ পৰা বিৰত থাকিব লাগে। ৰাজ্যপালে কিখিনি কথা কৈছে তাক শুনিব লাগে। তাকে নকৰি বিতৰ্কত অংশ গ্ৰহণ কৰিছে কিন্তু ব্যক্টব্য শুনা নাই। ভৱিষ্যতে যাতে এনে নহয় তাৰ বাবে অনুৰোধ জনাইছো। অসম চৰকাৰে অসমৰ উন্নতিৰ কাৰণে প্ৰচেষ্টা লৈছে। হয়তো বিতৰণত খেলিমেলি নোহোৱা বুলি প্ৰমান দিব নোৱাৰিব পাৰে কিন্তু গ্ৰামোন্নয়নৰ টকা নি নগৰ উন্নয়নত ব্যৱহাৰ কৰিছে নেকি বা আন কাম কৰিছে নেকি ? বা টকা আত্মসাত কৰিছে নেকি ? সেইটো কথা স্পষ্টকৈ কব লাগিছিল। প্ৰাথমিক স্কুল কৰবাত ১২ খন হৈছে কৰবাত ৬ খন হৈছে। কিন্তু স্কুল বন্ধাৰ ব্যৱস্থা কৰা নাই বুলি কব নোৱাৰে। আজি চৰকাৰে যিখিনি কাম কৰিছে যোৱা ৩৮ বছৰে সেইখিনি কাম নহ'ল।

জনসাধাৰণৰ অন্তৰৰ কথা উপলব্ধি কৰি কাম কৰিবলৈ ওলাইছে। সেই কাৰণে মাননীয় সদস্য সকলক সহযোগ কৰিবলৈ অনুৰোধ কৰিলো। বিৰোধী পক্ষৰ সদস্য সকলে ৰাজ্যপালে যি সুন্দৰ ভাষণ উত্থাপন কৰিলে তাৰ প্ৰতি সমৰ্থন কৰা উচিত আছিল। অসমৰ ওপৰত যিখিনি শোষন চলিছে তাৰ ওপৰত মাত মতা নাই। কোল্ড ইণ্ডিয়াই আজি কি ভূমিকা গ্ৰহণ কৰিছে? অসমত যথেষ্ট পৰিমানৰ কয়লা উৎপাদন হব লাগিছিল কিন্তু তাক বন্ধ কৰিছে বিভিন্ন প্ৰকাৰে। হয়তো অবৈধ মাইনিং চলি আছে আৰু ইয়াত কোল্ড ইণ্ডিয়াই সহায় কৰিছে। আমাৰ কোৰপোৰেচন আৰু ব্যক্তিগতভাবে কয়লাৰ ব্যৱসায় কৰাৰ কাৰণে আগবাঢ়ি গৈছে কিন্তু তেওঁলোকে সুবিধা দিব বিচৰা নাই। আজি বহুত গেছ এনেয়ে পুৰি যাব ধৰিছে। আমাৰ মানুহে ব্যৱসায় কৰিবলৈ আগবাঢ়ি গৈছে কিন্তু কেন্দ্ৰিয় চৰকাৰে কোনো সুবিধা দিয়া নাই। এই শোষণ বন্ধ কৰাৰ পৰিকল্পনা হাতত লব লাগিব। এইবিলাক কথা যদি আমি সদনত আলোচনা নকৰো তেনেহলে আমি বিধায়ক হৈ থকাৰ কোনো যোগ্যতা নাই। অসমৰ উন্নতিৰ কাৰণে পৰামৰ্শ আগবঢ়াব লাগে। এইখিনিকে কৈ মই বিৰোধী পক্ষৰ সদস্য সকলক সহযোগ কৰিবলৈ পুণৰ আহ্বান জনাই বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীজনেন্দ্ৰ বসুমতাৰী: অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ এইবাৰো গতানুগতিক হৈ আছে আৰু গতানুগতিক হৈ থাকিব। যিকিনহওক এই ৰাজ্যপালৰ ভাষণৰ ওপৰত মই কেইটামান বক্তব্য ৰাখিব বিচাৰিছো। ৰাজ্যপালৰ ভাষণত যিখিনি কথা উল্লেখ আছে তাৰ ভিতৰত জনজাতিৰ সমস্যাৰ সম্বন্ধে এটা কথাও উল্লেখ নাই। ইয়াৰ ফলত, এই সদনত মই কেইটামান কথা কবলৈ বাধ্য হৈছো। জনজাতিৰ যিখিনি সাংবিধানিক ৰক্ষাকবচ আছে, সেইখিনিকে মই উল্লেখ কৰিব খুজিছো, যেনে ট্ৰাইবেল ব্লক আৰু বেল্ট আছে। তাৰওপৰি অসম চুক্তিৰ ১০ দফাত ট্ৰাইবেল বেল্ট আৰু ব্লকৰ পৰা অন্যায় ভাবে বেদখল কৰা মানুহক উচ্ছেদ কৰাৰ কথা উল্লেখ আছে। কিন্তু এজিপি চৰকাৰে এই কামখিনি আজিলৈকে হাতত লব পৰা নাই। সেইখিনি কৰিব পাৰিলে আজি জনজাতিৰ সমস্যা ইমান জলন্ত আকাৰ নহলহেতেন। মই এটা কথা কব খুজিছো যে, এ জি পি চৰকাৰে বনাঞ্চলত যিসকল ভূমি পুত্ৰ বসবাস কৰি আছে তেওঁলোকক ১৯৮৬ চনৰ ২৪ চেপ্তেম্বৰ তাৰিখে উচ্ছেদ

* Speech not Corrected

কৰাৰ কাৰণে নটিফিকেচন কৰিছে। ঠিক সেই ধৰণে ট্ৰাইবেল বেল্ট আৰু ব্লকত যিবিলাকে অন্যায় ভাবে বেদখল কৰি আছে সেইসকলৰ প্ৰতি নটি-ফিকেচন কৰাত কিয় ব্যৰ্থ হ'ল ? আমাৰ সাংবিধানিক অধিকাৰ আছে। অসম চুক্তিৰ ১০ দফাত উল্লেখ আছে। তাৰউপৰি আসাম লেণ্ড এণ্ড ৰেভিনিউ আছে। ইমান আইন আছে প্ৰযোজ্য কৰিব পৰা নাই যাৰ ফলত আজি আমাৰ জনজাতীয় সকলৰ এটা বিৰাট সমস্যা হৈ গৈছে যে এই ভূমি পুত্ৰ সকলে অনাই বনাই ফুৰিছে। ইয়াৰ ব্যৱস্থা লোৱাতো কাৰ দায়িত্ব ? জন-জাতি নেতাৰ দায়িত্ব নহয়। যি সকল গাদিত বহি আছে সেই সকলৰ দায়িত্ব। ইয়াৰ বিকল্প পৰিকল্পনা ললেহে ৰাজ্যৰ শান্তি হব। বন বিভাগত যিবিলাক ভূমি পুত্ৰক উচ্ছেদ কৰিবলৈ নটিচ কৰা হৈছে সেই সকলৰ বিকল্প ভাবে ব্যৱস্থা কৰিব লাগিব। থিক সেই ধৰণে বেল্ট ব্লকত যিবিলাক বেদখল কাৰী আছে তেওঁলোককো বিতাৰণ কৰা নটিচ কৰক। দ্বিতীয়তে চিদলী সমষ্টিৰ কোনো সদস্য প্ৰাথমিক শিক্ষা বোৰ্ডত লোৱা নাই। গতিকে চাকৰি, স্কুল চেংচন আদি ক্ষেত্ৰত কাক জনাম ? মাথোন কোকৰাজাৰ আৰু বিজনীৰ সদস্য হৈছে। মই বিৰোধী সদস্য মোক নালাগে কিন্তু সমষ্টিত এ জি পিৰ মেম্বাৰ নাই নেকি ? মোৰ সমষ্টিত চাৰিটা চাৰ্কোল আছে। এই সমষ্টিৰ কথাখিনি কোনে চাব ? গতিকে মই শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ ৰাখিছো ভৱিষ্যতে তেনেকুৱা অভিভাৱক বিহীন সমষ্টি কৰি নাৰাখে। তৃতীয় কথালৈ আহো। মই এতিয়া গড়কাপ্তানী বিভাগৰ কথা কওঁ। বাইজৰ ফালৰ পৰা দৰ্খাস্ত কৰিছে আৰু প্ৰতিশ্ৰুতিও পাইছিলো যে বজাৰৰ ওচৰত এক কিলোমিটাৰ ৰাস্তা পকা কৰা হব। কিন্তু কাম চলি আছে মাত্ৰ ৩০০ মিটাৰৰহে। হায়াৰচেকেণ্ডাৰী স্কুলখনৰ সোনালী জয়ন্তী হব, আমি মন্ত্ৰীসকলক নিমন্ত্ৰন কৰিম বুলি ভাবিছো। তেওঁলোকে এডখৰ পকা আৰু এডখৰ কেচা ৰাষ্টাৰে যাব লাগিব। এই বিষয়ত মুখ্য অভিযন্তাৰ লগত কথা পাতিছো তেওঁ অহা বছৰলৈ দিম বুলি কৈছে। সেই কাৰণে অনুৰোধ ৰাখিছো এই আসোৱাহ বিলাক যেন মনত ৰাখে। তাৰ পাচত আমি যেতিয়া মন্ত্ৰীৰ ওচৰলৈ যাওঁ আমাৰ কথা বিলাক যেন সহানুভূতিৰে উত্তৰ দিয়ে আৰু মন দি শুনে। এই খিনি কৈ ব্যক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীভবেন নাৰ্জী : মাননীয় চেয়াৰমেন মহোদয়, আমাৰ ৰাজ্যপালৰ ভাষণৰ

* Speech not Corrected

ওপৰত মাননীয় সদস্য শ্ৰীজয় শৰ্ম্মাদেৱে অনা ধন্যবাদসূচক প্ৰস্তাৱত সমৰ্থন জনাই দুআষাৰ কথা কব বিচাৰিছো। মোৰ যদিও কবলগীয়া আছিল, মোৰ আগতেই বহুতো গুনি মানি সদস্যই চৰকাৰৰ পক্ষে মতামত দিছে। সমালোচনা আৰু আলোচনা এই দুটাৰ দিশ আছে। সাধাৰণতে আলোচনা কৰিলে ভালটো স্বীকাৰ কৰে আৰু সমালোচনা কৰিলে বেয়াটো স্বীকাৰ কৰে। এক অৰ্থত দুয়োটাই স্বীকাৰ কৰে। আলোচনা আৰু সমালোচনা দুয়োটাৰে একে ফল হলে ৰাইজ উপকৃত হয় আৰু ৰাইজৰ উন্নয়নমূলক কামত আগবাঢ়িব পৰা হয়। সকলো কথা আৰু কামৰ ইতিহাস আছে। আমি ইতিহাসক অস্বীকাৰ কৰিব নোৱাৰো। অসম গণ পৰিষদ চৰকাৰ অহাৰ লগে লগে মেলেৰিয়া আহিল আৰু তাৰ লগতে আহিল খৰাং বতৰ। অৱশ্যে খৰাং বতৰ একেদিনাই অহা বস্তু নহয়, ই আগৰ পৰাই অলপ অলপ কৰি আহি আছিল। মানুহে হাৰাশাস্তি ভোগ কৰিব লগা হ'ল। আমাৰ তামোলপুৰ, মচলপুৰ আদি ঠাইতো মেলেৰিয়াৰ প্ৰকোপ বাঢ়িল। অৱশ্যে এই নতুন চৰকাৰৰ দিনত বেমাৰৰ চিকিৎসাৰ বাবে ৰাইজে যি পৰিমাণে চৰকাৰৰ পৰা সহায় সহযোগ পাইছিল আগৰ চৰকাৰৰ দিনত পোৱা নাছিল বুলি ৰাইজে স্বীকাৰ কৰিছে। ৰিপোৰ্টাৰ সকলে বাতৰি কাকতত নানা ধৰণৰ কথা লিখিছে। কাৰণ তেওঁলোক পকা ৰাস্তাৰে গৈ থাকে, অথচ আমি গাৱত ৰাইজৰ লগত বেমাৰীৰ লগত থাকো আমাক দেখিবলৈ নাপায়। তাৰ পিচত আহিল এনকেফেলাইটিছ। তাৰ পিচতেই বানপানীৰ সমস্যা। বানপানীৰ প্ৰকোপত ঘৰ দুৱাৰ, জীৱ জন্তু, ৰাজহুৱা সম্পতি নষ্ট হ'ল। আমাৰ মুখ্য মন্ত্ৰীৰ সমষ্টিতে বহুতো ৰাজহুৱা সম্পতি স্কুল ঘৰ আদি নষ্ট হ'ল। সেই বিলাক এতিয়া নতুনকৈ দিব লগা হৈছে। গতিকে এই নতুন চৰকাৰে একো কৰা নাই বুলি কলে নহব। স্কুলৰ ক্ষেত্ৰত অলপ ইফাল সিফাল হলেও নলীনাদৰ ক্ষেত্ৰত সকলোৱে সমানে পাইছে। গভীৰ নলীনাদ কাৰ্য্যকৰী কৰিব পৰা নাই কাৰণ ৰাস্তাঘাটৰ ওপৰত আগৰ চৰকাৰে দিয়া দলঙৰ অৱস্থা ভাল নহয়। সকলোবিলাক দলং দুৰ্ব্বল। আগৰ চৰকাৰ পৰিয়াল পৰিকল্পনাৰ কামত ব্যস্ত আছিল তেওঁলোকে এই বিষয় বিলাকলৈ দৃষ্টি দিবলৈ সময় পোৱা নাছিল। দীপ টিউবওৱেল কৰবাত ২০ টা আৰু কৰবাত ৩০ টা কৰি দিয়া হৈছে। সকলো কথা চৰকাৰে বিবেচনা কৰি আছে।

চেয়াৰমেন মহোদয়, ভাষাৰ সম্পৰ্কত মই কেইটামান কথা কব বিচাৰিছো।

যোৱা ১ ফেব্ৰুৱাৰী তাৰিখে আমাৰ শিক্ষা মন্ত্ৰী গোস্বামী ডাঙৰীয়াই আমাৰ ৰাভা জনজাতি আৰু প্ৰতিনিধিসকলৰ লগত আলোচনা কৰিছিল। তাত আমাৰ ৰাজহ মন্ত্ৰীও উপস্থিত আছিল। ৰাভা বিলাকৰ দুটা গোষ্ঠী ভাষা লৈ তাতে অলপ কাজিয়াৰ সৃষ্টি হৈছিল। কোনোবাই ৰাংদানী বিচাৰে আৰু কোনোবাই মাইথানী বিচাৰে। মই কলো যে, যি ভাষা শুনিবলৈ শ্ৰুতিমধুৰ, সেই ভাষা প্ৰয়োগ কৰিবলৈ ষ্টেপ লব লাগে। অসমীয়া ভাষা, ইংৰাজী আদি ভাষাৰ দৰে এই ভাষাও হব লাগে। সেই আলোচনাতে আমাৰ প্ৰাক্তন এম, এল, এ, শ্ৰীমতী আনন্দি বালা ৰাভাও উপস্থিত আছিল। তেখেতে মই কোৱাতোৱে সকলোকে মানি লবলৈ কোৱাত ৰাজী হ'ল।

স্কুল ক্ষেত্ৰত ৰাভা মাধ্যম দিয়াৰ বাবে শিক্ষা মন্ত্ৰীয়ে বৰ্ত্তমানে ৫০ খন স্কুল দিছে পিছে পৰে সংখ্যা বৃদ্ধি কৰা হব। এই কথাত ৰাজহ মন্ত্ৰী মহোদয়ে সমৰ্থন দিছে।

এতিয়া সাংস্কৃতিক কথালৈ আহো। আমাৰ জনজাতীয় সাংস্কৃতিৰ কাৰণে টি, এচ, পি ত তিনি ঠাইত অনুষ্ঠান দিছে। দুধনৈ, মাজুলী আৰু তামোলপুৰত হব। কংগ্ৰেছ চৰকাৰৰ দিনতেহে যে সকলো কাম হৈছিল এতিয়া এ, জি, পি, চৰকাৰৰ দিনত যে একো কাম হোৱা নাই সেইটো কথা কিয় অস্বীকাৰ কৰিছে ? অলপমান এ,জি,পি,ৰ কাম কাজৰ সলাগ লৈ কিছু ভাল কাম কৰিছে বুজি স্বীকাৰ কৰিবলৈ যতন কৰক।

তাৰ পিচত আহিল জনজাতীয় সকলৰ ভূমি সংৰক্ষণ বা উচ্ছেদৰ কথা। ৰাজহ মন্ত্ৰীয়ে কলে জনজাতীয় এলেকাত থকা সকলো মানুহ মই উচ্ছেদ কৰি দিম। এই লগে লগে মিটিং পাতি বিৰোধী পক্ষৰ এজনে কলে যে তাত থকা সকল জনজাতীয় হওঁক বা অজনজাতীয় হওঁক কাকো উচ্ছেদ কৰিব নেলাগে। পি, টি, চি, ৰ এজনে আহি কলে আপোনাকোক উচ্ছেদ কৰিব নোৱাৰে। এই জনজাতীয় সকলৰ সমস্যা আজিৰ সমস্যা নহয়। ই বহু দিনৰ সমস্যা। আপোনালোকক এভিকচন কৰিব লাগে, ষ্টে কৰিব লাগে কৰি দিম। এতিয়া মই আৰু বেচি কথা নকওঁ, এটা সাধু কথা কৈ মোৰ ব্যক্তব্য শেষ কৰিম। সদনৰ অনুমতিৰ ক্ৰমে এটা সাধু কব বিচাৰিছো। সাধুটো হৈছে কেইজনমান বন্ধুৱে লগ পাই এজন মন্ত্ৰীক সুধিলে মই অৱশ্যে কাৰো গাত খুচ মাৰি কথাটো কবলৈ বিচৰা নাই। বন্ধু কেইজনে মন্ত্ৰীক কলে আপুনি ইমান টকা খৰচ কৰি বিয়া পাতিলে তেতিয়া মন্ত্ৰীয়ে কলে

যে ইমান টকা খৰচ কৰি ভোজ-ভাত খুৱালো কিন্তু এতিয়া সেই কথা আপুনি পাহৰি গ'ল ।

* শ্ৰীৰবিন শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজ্যপালৰ ভাষণৰ ওপৰত মুখ্য সচেতক শ্ৰীজয়নাথ শৰ্ম্মা দেৱে যিটো ধন্যবাদসূচক প্ৰস্তাৱ আনিছে সেইটো পুনৰ সম্পূৰ্ণ সমৰ্থন জনাই দুআষাৰ মান কথা কবলৈ বিচাৰিছো । দুই এটা বিষয়ৰ ওপৰত আমাৰ চৰকাৰে কি কাম কৰিলে আৰু কি কৰ বিচাৰিছে তাৰ এটা পৰামৰ্শ দিব বিচাৰিছো ।

অধ্যক্ষ মহোদয়, আমাৰ বনাঞ্চল ধ্বংশ কৰাৰ ঘটনাত অসম গণ পৰিষদ চৰকাৰে এইবোৰ বনাঞ্চল সংৰক্ষণ কৰিবৰ বাবে 'বন ৰক্ষক বাহিনী' বিধেয়ক গ্ৰহণ কৰিছে । এইটো অসমৰ জনসাধাৰণৰ বাবে শুভ লক্ষণ । এই বনাঞ্চল সংৰক্ষণ বিধেয়ক উত্থাপনৰ ক্ষেত্ৰত কব বিচাৰো যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দৰে আমাৰ অসমৰ বিভিন্ন ঠাইত যিবিলাক 'ফৰেণ্ট ৰিজাৰ্ভ' আছে সেই 'ফৰেণ্ট ৰিজাৰ্ভ' বিলাক বণ্যপ্ৰাণী সংৰক্ষণ বুলি ইতিমধ্যে ঘোষনা কৰিছে । মই বন মন্ত্ৰী মহোদয়ক মোৰ ফালৰ পৰা পৰামৰ্শ আগবঢ়াব বিচাৰো যে প্ৰায় ১০।১২ খন বিল পানপুৰত আছে । এই বিল বিলাকৰ পৰা অনায়াসে মানুহে মাছ মাৰি নি আছে । এইবিলাক সংৰক্ষণ কৰি আমাৰ চৰকাৰে বিভিন্ন সময়ত বন্দৱস্তি দি উপাৰ্জনৰ হাৰ বৃদ্ধি কৰিব লাগে । আমাৰ চৰকাৰৰ ৰাজহ পৰিমাণ যাতে বেচি হয় এই বিল বিলাকৰ চেটেলমেণ্ট দি আমাৰ ৰাজহ আদায় কৰিব লাগে আৰু সম্পূৰ্ণৰূপে তাত মাছ মৰাটো বন্ধ কৰিব লাগে ।

মই আৰু এটা কথা কব বিচাৰিছো অসমৰ গাৱে ভূৱে গ্ৰামোন্নয়ন বিভাগে গাওঁলীয়া জনসাধাৰণৰ কাৰণে ভুমিহীন ৰাইজৰ কাৰণে, দুখীয়া দৰিদ্ৰ লোকৰ নিয়োগৰ কাৰণে ইতিমধ্যে যিবিলাক আচনি লৈছে আৰু কাম কৰিছে তাৰ পৰা বহুত ৰাইজৰ উপকাৰ হৈছে । এই সন্দৰ্ভত আমাৰ গণ পৰিষদ চৰকাৰ গঠন হোৱাৰ পাছতে এটা ভাল লক্ষনে দেখা দিছে সেইটো হৈছে যে পৰিকল্পনাৰ বিকেন্দ্ৰীকৰণ মহকুমা ভিত্তিত কৰা হৈছে । ইয়াৰপৰা ৰাইজৰ যথেষ্ট সুবিধা হৈছে । গ্ৰামোন্নয়ন বিভাগে গাওঁৰ ৰাইজৰ মঙ্গলৰ কাৰণে এন আৰ ই পি বা আৰ এল ই জি পি আচনিত গাওঁৰ স্কুলসমূহ বনাই দিয়াৰ ব্যৱস্থা

---

* Speech not corrected.

কৰিছে। এই সন্দৰ্ভত মই এটা কথা কব বিচাৰিছো এই আচনিৰ কাৰণে যিবিলাক ক্ৰয় কৰিব লগীয়া সামগ্ৰী সেইবিলাক কেন্দ্ৰীয়ভাবে ক্ৰয় কৰি বিভিন্ন ঠাইলৈ পঠিওৱাৰ ব্যৱস্থা কৰিলে কামবিলাক খৰতকীয়া হব। আশাকৰো তেনে ব্যৱস্থা লব। তাৰ লগতে আৰু এটা কথা কব বিচাৰিছো চৰ অঞ্চলত আজি ৬ মাহ আগতে যিবিলাক বেআইনীভাবে বসবাস কৰা লোকসকলক উচ্ছেদ কৰা হৈছিল সেই লোকসকলে কিছুমান ৰাজনৈতিক নেতাৰ প্ৰৰোচনাত পুনৰ ঘৰদুৱাৰ সাজিবলৈ লৈছে। বিধান সভাৰ মজিয়াত এই বিষয়ে বহুত বিলাক আলোচনা বিলোচনা হৈ গৈছে। বেআইনীভাবে বেদখল কৰা লোক সকলক কাৰা নীতিৰে কটকটীয়া পদ্ধতিৰে উচ্ছেদ কৰিলে আমাৰ চৰ অঞ্চলৰ মাটি সমূহ সংৰক্ষিত হব।

ইয়াৰ পাছত আমাৰ চৰকাৰে যিসকললোকে অসম মাতৃৰ মঙ্গলৰ কাৰণে আন্দোলন কৰি জীৱন আহুতি দিলে সেইসকল শ্বহীদ পৰিয়াললৈ ৩০ হাজাৰকৈ টকা দিছে আৰু তেওঁলোকৰ পৰিয়ালৰ কাৰোবাক সংস্থাপন দিয়াৰ নীতি গ্ৰহণ কৰাত ৰাইজ সন্তুষ্ট হৈছে আৰু চৰকাৰ প্ৰশংসাৰ পাত্ৰ হৈছে অসম মাতৃৰ অখণ্ডতাৰ কাৰণে যিসকলে প্ৰাণ বলি দিলে বা নিৰ্য্যাতিত হ'ল তেওঁলোকক সংস্থাপিত কৰাৰ বা অন্যান্য সা-সুবিধা দিয়াৰ আৰু বেছি যতন কৰিবলৈ মই চৰকাৰক অনুৰোধ জনালো। ১৯৮৩ চনৰ সংঘৰ্ষৰ সময়ত যি সকলে আন্দোলৰ বিৰোধীতা কৰিছিল তেওঁলোকক কিছুমান ৰাজনৈতিক নেতাৰ প্ৰৰোচনাত সেই সময়ত উপ-প্ৰতিসমাহৰ্ত্তা বা উপায়ুক্ত সকলে পুনৰ সংস্থাপনৰ সাহায্য দিছিল কিন্তু সেই সময়ত যিসকল থলুৱা লোক বঞ্চিত হ'ল সেই লোকসকলক আমাৰ চৰকাৰে পুনৰ সাহায্য কৰিব লাগে বুলি মই অনুৰোধ জনালো।

শিক্ষাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যিবিলাক বিভিন্ন আচনি লৈছে যোৱা এবছৰত সেইবিলাকৰ বহুতত আগবাঢ়িও গৈছে। প্ৰত্যেক সমষ্টিতে ২৪/২৫ খন স্কুল বনাবলৈ লোৱা হৈছে। আগৰ কোনো চৰকাৰৰ দিনতে এনে সিদ্ধান্ত লোৱা নাছিল। এইটো বৰ ভাল কথা হৈছে। এই স্কুলবিলাকৰ কাম অতি সোনকালে আৰম্ভ কৰিব লাগে।

স্বাস্থ্যৰ ক্ষেত্ৰত আমি দেখিছো বহুতে অৱশ্যে সমালোচনা কৰিছে আমাৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ বা ৩০ খন বিছনাযুক্ত চিকিৎসালয়ৰ আচনি এতিয়াও কাৰ্য্যকৰী হোৱা নাই, এইটো সচা নহয় আমি নিজে জানো বহুত স্বাস্থ্য

কেন্দ্রৰ কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে। কাগজে পত্রে সমালোচনা কৰিছে মন্ত্রী সকলে আধাৰশিলা স্থাপন কৰা লৈ আৰু কৈছে যে আধাৰশিলা স্থাপন কংগ্রেছৰ দৰে হব নালাগে। কিন্তু আমাৰ চৰকাৰৰ দিনত যিবিলাক আচনিৰ মঞ্জুৰী আছে সেইবিলাকতহে কাম কাজ আৰম্ভ কৰিবৰ কাৰণে এই আধাৰ-শিলা স্থাপন কৰা হৈছে। মই ভাবো এইক্ষেত্রত বিৰোধ কৰাৰ কোনো যুক্তি নাই। তাৰ পাছত আমাৰ গণ পৰিষদ চৰকাৰ গঠন হোৱাৰ পাছত যি উদ্যোগ নীতি আৰু নিয়োগ নীতি ঘোষণা কৰা হৈছে তাৰ পৰা বহুত বিক্ৰী কৰ ৰেহাই পাব আৰু অসমৰ নিবনুৱা যুৱক সকলৰ কাৰণে শক্তিশালী পদক্ষেপ লোৱা হৈছে। (সময়ৰ সংকেট) আমাৰ চৰকাৰে গাৱলীয়া ৰাইজৰ কাৰণে যিবিলাক শক্তিশালী প্রচেষ্টা হাতত লৈছে তাৰ কাৰণে মই চৰকাৰৰ কৃতিত্বক বখানি মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদসূচক প্রস্তাৱটো সমৰ্থন কৰি মই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

*শ্ৰীপদ্মনাথ কৈৰী : শ্রদ্ধেয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মাদেৱে ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্রস্তাৱ আগবঢ়াইছে তাক মই এই দলৰ সমৰ্থিত সদস্য হিচাবে আন্তৰিকতাৰে সমৰ্থন জনাইছো। ৰাজ্যপাল মহোদয়ৰ ভাষণত বিশেষকৈ অসমত বসবাস কৰা প্রায় ৫০ লাখ চাহ বাগিছাৰ মজদুৰৰ পৰিস্থিতিৰ কথা ইয়াত উল্লেখ কৰা নাই তাৰ কাৰণে মই অলপ দুখ কৰিছো।

অধ্যক্ষ মহোদয়, এই ভাষণত বাকীবিলাক কথা সংযোজন কৰা হৈছে তাক আন্তৰিকতাৰে গ্ৰহণ কৰিছো কিন্তু চাহ জনজাতি সকলৰ কথা উল্লেখ নথকাত দুখেৰে এইখিনি কথা কবলৈ ওলাইছো।

অধ্যক্ষ মহোদয়, মোৰ কথা হ'ল, চাহ বাগিছাৰ শ্ৰমিকসকলে যোৱা ৩৮ বছৰে কোনো ধৰণৰ সহাৰি নাপালে কিন্তু এতিয়াও গণ পৰিষদ চৰকাৰৰ ১৪ মাহ হোৱাৰ পিছতো এইখন ভাষণত তেওঁলোকৰ কাৰণে কৰা কোনো সুনিৰ্দ্দিষ্ট আচনি দেখিবলৈ নাপালো। সেয়ে মই বৰ দুখ পাইছো। চাহ বাগিছাত কাম কৰা আৰু বসবাস কৰা এই মানুহখিনিক সম্পূৰ্ণৰূপে মালিকৰ হাতত দিয়া যেন আমাৰ অনুমান হৈছে। চুৱা দলিয়াই দিলে যেনেকৈ পিছত

* Speech not corrected.

কুকুৰে খোৱা কামোৰা কৰি টনাটনি কৰে তেনেকৈ মজদুৰ লাইনত এটুপি পানীৰ কাৰণে ডেকা, বুঢ়া, গাভৰু আদিৰ খোৱা কামোৰা লাগে সেইটো দেখিলে সচাকৈয়ে দুখ লাগে। সচাকৈয়ে চৰকাৰৰ কৰিবলগীয়া একো নাই নেকি ? চাহ বাগিছাৰ মজদুৰ সকলৰ একোটা সংগঠিত ইউনিয়ন থাকে এই ইউনিয়নবোৰেই মজদুৰ সকলৰ উপকাৰ কৰাৰ চেষ্টা কৰে। কিন্তু যোৱা ৩৮ বছৰে এই ইউনিয়নবোৰে যেতিয়া একো উপকাৰ সাধিব নোৱাৰিলে তাৰ পিছতো গণ পৰিষদ চৰকাৰে চাহ মজদুৰ সকলক ইউনিয়নৰ হাতত আকৌ গতাই দিব নেকি ? এইখন সদনতে এদিন গড়কাপ্তানী মন্ত্ৰীয়ে কৈছিল যে বাগিছাৰ ৰাস্তা বনাবলৈ গৈ বাটৰ কচু গাত ঘঁহি লোৱাহে হব।

চৰকাৰে অন্তত: তেওঁলোকৰ শিক্ষা ব্যৱস্থা বা পানীৰ ব্যৱস্থাৰ ক্ষেত্ৰত অলপ যত্ন লব লাগে। তেওঁলোক অৰ্থনৈতিক দিশত অতি জুৰুলা সেয়ে এই বিষয়বিলাক অলপ চাব লাগে। বাগিছাত বাস কৰা মজদুৰ সকলে লগত ১০/১২ টাকৈ ল'ৰা-ছোৱালী লৈ বাস কৰে। কিন্তু তেওঁলোকৰ কোনো স্থায়ী বাসস্থান নাই তেওঁলোক কলৈ যাব ? মাক-বাপেকে কোনোমতে তেওঁলোকক খুৱাই জীয়াই ৰাখিছে। আনফালে শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত যি প্ৰতিশ্ৰুতি দিছিল সেইফালেও কোনো কাম হোৱা আমি দেখা নাই। একোখন বাগিছাত চাহ বনুৱা ২ হাজাৰ হলে তেওঁলোকৰ লগত ল'ৰা-ছোৱালীও থাকে। কিন্তু তেওঁলোকৰ মাজত স্কুল থাকে মাত্ৰ এখন। মই এইটো কথা এই কাৰণেই কৈছো যে অন্ততঃ শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত চৰকাৰে কিবা নতুন স্কুল বা শিক্ষানুষ্ঠান আদি পাতি দিয়া ব্যৱস্থা কৰিব নোৱাৰেনে ? নে সেইখিনিও চাহ মালিক সকলেহে কৰি দিব লাগিব ? যদি মালিকেই কৰিব লাগে তেন্তে তেনে ধৰণৰ এখন আইন প্ৰৱৰ্ত্তন কৰক তেতিয়াহে মালিক সকলে এইবোৰ কাম কৰিব।

অধ্যক্ষ মহোদয়, মই দেখিছো এই মজদুৰ সকল নিজৰ ঠাইতে মগনীয়া হোৱাৰ বাহিৰে আৰু বিকল্প নাই। যিবিলাক অস্থায়ী মজদুৰ আছে তেওঁলোকৰো কোনো মাটি আদিৰ আবণ্টন নাই। আৰু অন্যত গৈ শ্ৰম কৰি খোৱাৰো উপায় নাথাকে। গতিকে মই আজি এই সদনতে অনুৰোধ জনালো এই মজদুৰ সকলৰ এইবোৰ অৱস্থাৰ কথা যেন অলপ সহানুভূতিৰে চায় আৰু ব্যৱস্থা গ্ৰহণ কৰে। এই জাতিটো হাড়ে হিমজুৱে নিজকে অসমীয়া বুলি কোৱা জাতি। যি জাতিয়ে অসমৰ বিভিন্ন আন্দোলনৰ লগত পোনপটীয়াকৈ জড়িত নহলেও পৰোক্ষভাৱে জড়িত। যোৱা অসম আন্দোলনতো তেওঁলোকে

মৌন সমৰ্থন জনাই আহিছে। মৌন যেতিয়া সেয়া সমৰ্থনেই। কাৰণ আমাৰ মানুহে পোনপটীয়াকৈ কি কৰিব লাগে সেইটো ভালদৰে নাজানে। গতিকে এই চৰকাৰৰো যদি এই মানুহ খিনিৰ প্ৰতি সহানুভূতি নাথাকে তেন্তে আৰু কেতিয়াও তেওঁলোকে পৰিত্ৰাণ নাপাব।

তাৰোপৰি ওচৰ চুবুৰীয়া ৰাজ্যৰ লগত সম্বন্ধৰ কথা কওঁতে মই কওঁ যে ওচৰ চুবুৰীয়া ৰাজ্যৰ লগত সম্বন্ধ ভাল হোৱাটো মইও বিচাৰো। কিন্তু অলপতে বিশ্বনাথ চাৰিআলিৰ মোৰ সমষ্টিতে মোৰ মানুহৰ ওপৰত অৰুণাচলৰ মানুহে আহি অত্যাচাৰ চলালে।

Shri Sheikh Abdul Hamid : Mr. Speaker Sir, while supporting the amendment motion moved by Hon'ble Member Shri Santi Ranjan Dasgupta on the Governor's address, I want to add amendment to this address in some points. Sir, as I am a member of Char area, I must say regarding Char area's development. Sir, the Governor's address should have mentioned something regarding char area ; but the Governor has failed to give a true picture of the char area. As stated in the Governor's address that the main thrust of the Assam Char Areas Development Authority is to remove unevenness in development of the Char areas, but actually nothing has been done for the development. If we notice the budget estimate of 1986-87, we find the total allocation of char area was only Rs. 60 lakhs i. e. only Rs. 6·00 (Rupees six) per head, where as total budget expenditure for the current years in general per head is Rs. 250/-. So, Sir, in this regard we must say that the word that has been stated by the Government is not translated into action or purpose. The word has not been implemented. Sir, in the last year the Governor stated that it has been intensly pursuing the integrated development of the Char areas. But Sir, the budget allocation

which was only Rs. 60 lakhs and out of this Rs. 60 lakhs only 22·5 lakhs was spent for the development of the char areas and the rest amount Rs. 37·5 lakhs was spent for the administration and for purchasing of cars etc.

The Government have totally ignored the development of the Char area. The basic problem of the Char areas is the land problem. Sir, years after years people are living in the Char areas and there is nobody to look after them. There are families living there from 1930 or before but even today they have not allotted with any land. They have not got even annual patta for the lands. Actually Government have not done anything to development the Char areas. As you know, Sir, the developments are in papers only. Peoples are evicted from their lands who lives there years after years without looking for their development. The Governor has stated in the Governor's Address that the main task of the Char Areas Development authority is to remove the unevenness in the Char Areas. But in actual practice Government has done nothing and instead they are evicted and the lands cleared are reserved for social forestry for plantation of trees. The people of char will not tolerate such things. The Governor's address has totally failed to point out the basic needs of the people of Char areas. Sir, a number posts of Char Areas Development authority have been advertised and appointments has not given till today. The Char Areas Development Authority under whose mercy the Char Development depends have not been able to anything. In this respect I must draw the attention of the Hon'ble Minister-in-charge to look into this matter. About irrigation as discussed in

this House I must say something as the Governor's address has not mentioned anything about irrigation in the Char areas practically there is no irrigation. Government has failed to trace out the basic problem of the Char areas.

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় সদস্য শ্ৰীঅকন ৰাভাই কব।

* শ্ৰীঅকন ৰাভা ঃ অধ্যক্ষ মহোদয়, মই কালিলৈ কম বুলি আপোনাক লিখিত ভাবে জনাইছিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় সদস্য শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰীয়ে কব।

* শ্ৰীমহেন্দ্ৰ মোহন ৰায়চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাত মাননীয় ৰাজ্যপাল মহোদয়ে দিয়া ভাষণৰ ওপৰত আমাৰ দলৰ মুখ্য সচেতক শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াই অনা ধন্যবাদসূচক প্ৰস্তাৱটো সমৰ্থন কৰি মই এইক্ষেত্ৰত দুটামান পৰামৰ্শ ডাঙি ধৰিব বিচাৰিছো। ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত অসম চৰকাৰৰ যোৱা এটা বছৰৰ কাৰ্য্যকলাপ সুন্দৰভাবে ডাঙি ধৰিছে। মই কেৱল দুই এটা পৰামৰ্শ মোৰ ফালৰপৰা আগবঢ়াব বিচাৰিছো। যোৱা ৩৮ বছৰে কিছুমান বিভাগত যি কাম হোৱা নাছিল যোৱা এটা বছৰত কিন্তু বহুত কাম হৈছে। বিশেষকৈ সীমা বিবাদৰ কথাই মই কবলৈ ওলাইছো। আমাৰ চৰকাৰে সীমা বিবাদসমূহ নিষ্পত্তি কৰাৰ কাৰণে যোৱা এটা বছৰত অতি প্ৰশংসনীয়ভাৱে আগবাঢ়িছে। গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰত যোৱা ৩৮ বছৰে যি কাম হোৱা নাছিল এতিয়া হবলৈ ধৰিছে। এন-আৰ-ই-পি, আৰ-এল-ই-জি-পি, আই-আৰ-ডি-পি আদি আচনিৰ জৰিয়তে যোৱা এটা বছৰত বহুত কাম হৈছে। আগৰ বছৰত এই দিশৰ কাম-কাজত দৰং জিলাৰ স্থান আছিল ২১ নম্বৰত, কিন্তু এই বছৰত প্ৰথম দৰঙে স্থান পাইছে। এইটো প্ৰশংসনীয় হৈছে। কিন্তু এইক্ষেত্ৰত কাম আৰু ক্ষিপ্ৰ গতিৰে আগ-বাঢ়িলহেতেন যদিহে ব্লকবোৰত একোজনকৈ কাৰ্য্যবাহী অভিযন্তা থাকিলহেতেন। এতিয়া ব্লকবোৰত জুনিয়ৰ ইঞ্জিনীয়াৰ একোজনকৈ আছে। তেওঁলোকে কোনোবা এটা ৰাস্তাৰ নক্সা কৰি গড়কাপ্তানী বিভাগলৈ পঠায় কিন্তু সেইটো সময়মতে বিভাগৰপৰা পাচ হৈ নাহে, ফলত কামত অসুবিধা হোৱা দেখা গৈছে। সেয়ে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে ব্লকবোৰত একোজনকৈ

* Speech not corrected.

কাৰ্য্যবাহী অভিযন্তা দিয়াৰ বাবে বিবেচনা কৰে।

মোৰ সমষ্টি কলাইগাওঁ এটা অন্যান্য পিচপৰা শ্ৰেণীৰ ব্লক। অন্যান্য পিচপৰা শ্ৰেণীৰ উন্নতিৰ কাৰণে চোৱা-মেলা কৰিবলৈ অসম চৰকাৰৰ এটা কৰ্পোৰেচন আছে। কিন্তু এই অন্যান্য পিচপৰা শ্ৰেণীৰ কৰ্পোৰেচনটোৱে যিদৰে এই লোক সকলৰ উন্নয়নয়ৰ কাৰণে কাম কৰিব লাগিছিল সেইদৰে কাম কৰা-দেখা নাই। শিক্ষিত নিবনুৱা সকলে ইয়াবদ্বাৰা ৪০ হেজাৰকৈ টকা ঋণ পোৱাৰ ব্যৱস্থা আছে। এই বিভাগে বেংকৰ লগত যোগাযোগ কৰি নিবনুৱা যুৱক সকলে যাতে ল'নবোৰ সোনকালে পায় তাৰ খবতকীয়া ব্যৱস্থা লব লাগে। প্ৰায় ক্ষেত্ৰতে দেখা যায় যে বেংকবোৰে এই যুৱক সকলক ঋণ দিয়াত অযথা পলম কৰে কিয়নো বেংকবোৰ হৈছে নেচনেলাইজ আৰু বেংকৰ বিষয়াই আমাৰ বিভাগৰ বিষয়াৰ চিঠিৰ ওপৰত বৰ বেছি গুৰুত্ব দিব নোখোজে। সেয়ে মই চৰকাৰক অনুৰোধ কৰো যাতে অন্যান্য পিচপৰা শ্ৰেণীৰ যুৱক সকলে পাবলগীয়া সা-সুবিধাবোৰ যথাসম্ভৱ সোনকালে দিয়াৰ বাবে যত্ন কৰিব।

দৰং জিলাৰ ১০ নম্বৰ ব্লকটো মোৰ সমষ্টিত পৰে। তাত বিভিন্ন ধৰণৰ অনুন্নত সম্প্ৰদায়ৰ লোক আছে। এইক্ষেত্ৰত তেওঁলোকে উন্নয়নৰ কাৰণে সুবিধা দিবলৈ অনুৰোধ কৰিছে। অনুন্নত পিচপৰা শ্ৰেণীৰ উন্নতিৰ কাৰণে ৰাইজে দাবী কৰিছে। গতিকে মই এই বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে অনুন্নত পিচপৰা শ্ৰেণীক অধিক গুৰুত্ব দিয়ে।

উদ্যোগৰ ক্ষেত্ৰত দেখিবলৈ পাইছো যে উদ্যোগ মন্ত্ৰী মহোদয়ে যথেষ্ট গুৰুত্ব দিছে। তাক আমি প্ৰশংসা কৰো। উদ্যোগৰ কাৰণে বেংকৰপৰা ঋণ লবলৈ কিছুমানে আবেদন জনায়। কিন্তু বেংকৰপৰা ধাৰ নাপায়। শেষত দিনৰ পিচত দিন মাহৰ পিচত মাহ ধাৰৰ কাৰণে অপেক্ষা কৰি থাকিব লগা হয়। গতিকে ৰাইজৰ উপকাৰৰ কাৰণে ৰাজ্য চৰকাৰে যাতে বেংকৰ সুকীয়া শাখা খুলি দিয়ে তাৰ বাবে মই অনুৰোধ জনালো। উদ্যোগৰ কাৰণে যদি চৰকাৰে সকলো সুবিধা কৰি দিয়ে তেতিয়া আমাৰ আচনি লাভবান হব। চৰকাৰে সুকীয়াকৈ উদ্যোগললে ভাল হয়।

হস্ততাত শিল্পৰ বিষয়েও মই অলপ কওঁ। কিছুমান হস্ততাত শিল্প গঢ়ি উঠিছে। তাত যথেষ্ট ধৰণে উৎপাদনো হয়। এই ক্ষেত্ৰত আগতে কতো লাভ কৰা নাই। হস্ততাত আৰু বস্ত্ৰ শিল্পৰ ক্ষেত্ৰত গাওঁৰে ভুঁইয়ে উদ্যোগ

কেন্দ্ৰ গঠন কৰিলে বিশেষকৈ মহিলা সকলে বেছি লাভবান হব। বিহু অসমৰ এটা জাতীয় কলাকৃষ্টি। বিহুত গামোছা লোৱা হয়। এই গামোছা বিহুত যোগান দিব নোৱাৰা হয়। ইয়াৰ কাৰণে বাহিৰৰ পৰা গামোছা আনিব লগা হয়। যদি মহিলা সকলে এই গামোছা তৈয়াৰ কৰি লয়, তেতিয়া হলে বাহিৰৰ পৰা গামোছা আনিব নেলাগে। উদ্যোগ গঢ়ি উঠিলে এই সমস্যা দূৰ কৰিবলৈ মহিলা সকলে সুবিধা পাব আৰু লগতে তেওঁলোকে শিক্ষাও পাব।

মই বন বিভাগৰ বাবে পৰামৰ্শ আগবঢ়াইছো। মই বন মন্ত্ৰী মহোদয়কো অনুৰোধ কৰো যাতে এই ক্ষেত্ৰত তেখেতে ব্যৱস্থা লয়। বন বিভাগটো ধ্বংস হৈ গ'ল। আজি ৩৮ বছৰে গছ কাটি শেষ কৰিলে। বাঘৰ এবিয়া বুলি এটা অঞ্চল আছে। তাত যি সকল জনজাতি, অজনজাতি, বাংলাদেশী আদি আছে সকলোকে উচ্ছেদ কৰিব লাগে। তেতিয়াহে লাভবান হব পৰা যাব। চোৰাং চিকাৰী ৰোধ কৰিব লাগে। বন বিভাগৰ ক্ষেত্ৰত অসমৰ কি ধৰণৰ উন্নতি হৈছে নাজানো। কিন্তু অসমত বাহ বেতৰ কাৰবাৰকে ধৰি বিভিন্ন ধৰণৰ উদ্যোগ সংস্থাপন হৈছে। এই বিলাক ভাৰতবৰ্ষৰ বাহিৰলৈও আমদানি হয় বুলি গম পাইছো। অসমৰ বাহবেতক কেন্দ্ৰ কৰি অসমৰ বিভিন্ন ঠাইত ক্ষুদ্ৰ উদ্যোগ গঢ়ি উঠিছে। আৰু উদ্যোগবোৰে নিৰ্মাণ কৰা বেতৰ বিভিন্ন সামগ্ৰী চকী, মেজ, চিলিং আদি এম্পোৰিয়ামৰ যোগেদি বিদেশলৈকো ৰপ্তানী হৈছে। এই উদ্যোগবোৰে বহুতো কৰ্ম্ম সংস্থানহীনক কৰ্ম্মসংস্থান দিবলৈও সক্ষম হৈছে।

কিন্তু বৰ্ত্তমানে পৰিলক্ষিত হৈছে যে এই উদ্যোগবোৰ গঢ়লৈ উঠিবলৈ প্ৰধান সামগ্ৰী প্ৰাকৃতিক ভাবেই উৎপাদিত বেত প্ৰায় শেষ হৈ আহিছে। ফলত অহা ৫ বছৰৰ ভিতৰত বেতৰ ওপৰত কেন্দ্ৰ কৰি গঢ় লৈ উঠা উদ্যোগ বোৰো শেষ হৈ পৰিব। ফলত অসমৰ পৰম্পৰাগত এক কুটিৰ শিল্পৰ অৱসান ঘটাৰ লগে লগে বহুল সংখ্যক নিবনুৱাৰো পুনৰ সৃষ্টি হব।

গতিকে বন বিভাগৰ জৰিয়তে অতি শিঘ্ৰে বেত ৰোপন কৰি ভৱিষ্যতৰ এই সংশয় আতৰ কৰাৰ অৰ্থে এক পৰিকল্পনা তৎকালীন ভাবে হাতত লব লাগে। বন সম্পদ বৃদ্ধি হলে আমাৰ উদ্যোগবোৰ জীয়াই থকাত সহায় হব।

মই পানী যোগানৰ ক্ষেত্ৰত কিছু কথা কবলৈ খুজিছো। পানী যোগানৰ অগ্ৰগতি আজি ২০ বছৰে দেখা নাছিলো। কিন্তু বৰ্ত্তমানে দেখিবলৈ পাইছো

যে এটা সমষ্টিতে ২০ টা পানী যোগান আচনি হৈছে। ১৯৮২ চনতে ১১ টা পি, এইচ, চি, কেন্দ্ৰ স্থাপন হৈছে। কিন্তু দুৰ্ভাগ্যৰ কথা যে ৪৫ লাখ টকা খৰছ কৰিও তাক সম্পূৰ্ণ কৰিব নোৱাৰিলে। এইবাৰ মন্ত্ৰী ডাঙৰীয়াই আশ্বাস দিছে যে তাক তিনি মাহত সম্পূৰ্ণ কৰিব। পুথিমাৰীৰ পানী যোগান আচনিৰ কাম এতিয়াও শেষ হোৱা নাই। সেই কাম দুজন ঠিকাদাৰক কৰিবলৈ দিয়া হৈছে। অৱশ্যে আমাৰ চৰকাৰে কাম বিলাক দিওঁতে কোনে ভোট দিছিল, কোনে দিয়া নাছিল তাক লক্ষ্য কৰি দিয়া নাই। সকলো কাম যাতে নিয়াৰিকৈ কৰা হয় তাৰ প্ৰতিহে লক্ষ্য ৰখা হৈছে।

মই শিক্ষাৰ ক্ষেত্ৰত কওঁ যে প্ৰাথমিক শিক্ষাত যাতে আমাৰ চৰকাৰে জোৰ দিয়ে। বৰ্তমান সময়ো তাকৰ। আৰু বহুতেই কৰ লগা আছিল। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় সদস্য শ্ৰীৰামেশ্বৰ ধানোৱাৰ।

* শ্ৰীৰামেশ্বৰ ধানোৱাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষনৰ ওপৰত আমাৰ মাননীয় সদস্য শ্ৰীগোলক ৰাজবংশী ডাঙৰীয়াই যিটো সংশোধনী প্ৰস্তাৱ আনিছে, তাত সমৰ্থন জনাই মই এটা কথা কবলৈ বিচাৰিছো। ৰাজ্যপালৰ ভাষনত কোৱা হৈছে যে চাহ শ্ৰমিক আৰু কৃষি বিভাগত চৰকাৰে মনযোগ দিছে। চাহ শ্ৰমিক এটা বৃহৎ জনসংখ্যা। এই দিশত চৰকাৰে কেনে ধৰণৰ কল্যানমূলক আচনি হাতত লৈছে তাৰ কোনো নতুনত্ব দেখা পোৱা নাই। মই জানো এতিয়ালৈকে চাহ বাগিছাৰ চাহ বনুৱাৰ কথা যদি কওঁ এই চাওঁ বনুৱাৰ ক্ষেত্ৰত চৰকাৰৰ দায়িত্ব খুবেই কম। এনে ক্ষেত্ৰত কল্যান মূলক আঁচনিৰ কথা চিন্তা কৰিব নোৱাৰে।

এই কাৰণে আজি যিমানখিনি আমাৰ চাহ বনুৱাৰ কাৰণে আঁচনি প্ৰস্তুত কৰা হৈছে সেইখিনি চাহবনুৱাৰ নিজৰ টকাৰে প্ৰস্তুত কৰা আঁচনি হৈছে। চাহ শ্ৰমিকৰ কল্যানমূলক আচনিয়েই কওক, আসাম টি এমপ্লইজ প্ৰভিডেণ্ট ফাণ্ড আচনিয়েই কওক, চাহ শ্ৰমিকৰ বাবে আচলতে কি কৰা হৈছে? মাত্ৰ এটা মেচিনাৰী আছে সেইটো হৈছে টি এণ্ড এক্স টি গাৰদেন ডিৰেক্টৰেট, যাৰ দ্বাৰা চাহ শ্ৰমিকৰ কল্যানৰ কথা চিন্তা কৰিব পাৰি। আৰু এইটো চিন্তা কৰিবলৈ যাওঁতে আমাৰ জনসংখ্যা অনুপাতে আমাৰ তাত খৰচ হয়

* Speech not Corrected.

৩০ লাখ টকা। আমাৰ জনসংখ্যা ৫০ লাখ টকাতকৈয়ো অধিক আছে। তাৰ ভিতৰত আজি চৰকাৰে কেনেধৰণৰ জনকল্যানমূলক আচনি লব আমি ভাবিব পৰা নাই। সেয়ে চৰকাৰে যদি টি এণ্ড এক্স টি ডিৰেক্টৰেটৰ যোগেদি চাহ শ্ৰমিকৰ কল্যানৰ বিষয়ে আচনি লবলৈ বিচাৰে তেনেহলে ২।৩ কোটি টকা বঢ়াই লব পাৰে, তেতিয়াহে চাহ শ্ৰমিকৰ কথাটো চিন্তা কৰিব পৰা হব। এতিয়া চাহ শ্ৰমিকৰ যিখন জনকল্যাণমূলক আচনি আছে যোৱা বাৰ তাত ৩০ লাখ টকা আচনিখন চলাবৰ কাৰণে মঞ্জুৰ কৰা হৈছে। মই এটা উদাহৰণ দি কব খুজিছো যে চতিয়াত থকা এজন মানুহক ১৫০ টকা হাঁহ কুকুৰা পালনৰ কাৰণে দিয়া হৈছে। তেজপুৰৰ পৰা সেই টকাখিনি আনিবলৈ হলে অহা যোৱাৰ বাবে তেওঁৰ ১২০·০০ টকা খৰচ হয়। এই ধৰণেৰে জনকল্যাণ কৰিব পৰা হবনে? সেই কাৰণে আমি আন্দোলন কৰিছিলো আন্দোলন কৰি আমি কংগ্ৰেছ চৰকাৰকো ভাঙি দিছিলো। অন্যান্য ক্ষেত্ৰত নকওঁৱেই চাকৰি আমাৰ লেখত লবলগীয়া, ১৯৮৩ চনত অসম সচিবালয়ত আমাৰ তিনিজন চাকৰিয়াল আছিল। এজন কেৰাণী আৰু দুজন পিয়ন। ইমান বৃহত জনগোষ্ঠীৰ মাজত চাকৰিয়াল মাত্ৰ সেই সময়ত তিনিজন আছিল। এতিয়া ১৯৮৪-৮৫ চনত ১২ জনলৈ বৃদ্ধি হ'ল এটা তথ্যৰে মই এতিয়া এটা উদাহৰণ দাঙি ধৰিব খুজিছো। অধ্যক্ষ মহোদয়, আজিৰ এই দিনতো নিয়োগ বিনিময় কেন্দ্ৰবিলাকলৈ আমাক কি বুলি মাতে? এইবাৰ ডিগবৈৰ এ, অ' চি, ৰ নিয়োগ বিনিময় কেন্দ্ৰৰ যোগেদি ২২ টা পোষ্টৰ কাৰণে কলিং লেটাৰ পঠালে। তাত দুটা কেটেগৰী কৰিলে- এটা হ'ল আচামিজ আৰু আনটো হ'ল নন আচামিজ। আমি আজি যিটো সময়ত নিজকে অসমীয়া বুলি লৈ নিজৰ সকলো পাহৰি গ'লো আৰু অসমীয়া সমাজৰ মাজত লগত মিলিবলৈ চেষ্টা কৰি আছো সেই সময়ত কলিং লেটাৰ দিওঁতে আমাক নন আচামিজ বুলি কয়।

শ্ৰীদুৰ্গা দাস বড়ো: অসম চৰকাৰৰ অধীনত নহয় নেকি সেই অফিচটো?

শ্ৰীৰামেশ্বৰ ধানোৱাৰ: এতিয়া বৰ্ত্তমান চৰকাৰেও আমাৰ যিখিনি উপযুক্ত মানুহ আছিল সেইখিনিকো প্ৰমোশ্যন দিয়া নাই। অতুল চাৰোৱান আমাৰ এজন জেষ্ঠ বিষয়া। যদি তেওঁক উপযুক্ত নহয় বুলি ভাবে তেনেহলে পঠিয়াই দিয়ক। আমাৰ উপযুক্ততা থকা সকলো বঞ্চিত হৈছে, তেনেক্ষেত্ৰত চাহ শ্ৰমিকৰ জনকল্যাণৰ কথাটো কি ভাবে চিন্তা কৰিব পাৰি?

অধ্যক্ষ মহোদয়, আজি মাননীয় সদস্য সকলে ২।১ জনে ধুনীয়া ইতিকিং কৰিছে। আমি যেতিয়ালৈকে চাহ শ্ৰমিকৰ ভিতৰৰ অংশটো দেখিবলৈ নেপাও তেতিয়ালৈকে চাহ শ্ৰমিকৰ ভিতৰৰ কথাটো বুজা টান আছে। আজি আমাক চৰকাৰে কি দিছে ? চাহ বাগানৰ কৈৰী ডাঙৰীয়াই কৈ গ'ল চাহ বাগানৰ মালিক সকলেহে গোটেইখিনি কৰি আছে, চৰকাৰৰ যেন দায়িত্ব নাই। এটা উদাহৰণ মই দিছো— নাগাহাট চাহ বাগিছা বুলি এখন চাহ বাগিছা আছে তাত ১১৮ জন মানুহক স্থায়ীকৰণ কৰিবৰ কাৰণে যোৱা তিনি বছৰৰ আগতে এটা কেচ বিভাগৰ জৰিয়তে আহিছে, কিন্তু ইটো বিভাগৰ পৰা সিটো বিভাগলৈ গৈ শেষত ইমপ্লিমেণ্টেশ্যনৰ ক্ষেত্ৰত মানুহৰ নাম নেপায় হেৰাই গ'ল। পুনৰ বাৰ ৰেফাৰেন্স পঠাইছে, সেই মানুহখিনি কিমান দিনৰ কাৰণে এইদৰে থাকিব লাগিব ? সেয়ে জন কল্যাণৰ নিচিনা কামত আমি একো আশা কৰিব পৰা নাই।

সংশোধনী প্ৰস্তাৱটোৰ সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

* শ্ৰীভবেন বৰুৱা : অধ্যক্ষ মহোদয়, এই পবিত্ৰ সদনৰ মজিয়াত অসমৰ ৰাজ্যপাল শ্ৰীভীষ্ম নাৰায়ণ ডাঙৰীয়াই দিয়া ভাষণৰ ওপৰত সমতি জনাই আৰু মাননীয় সদস্য শ্ৰীশৰ্ম্মা ডাঙৰীয়াই আগবঢ়োৱা ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত মই দুটামান কথাৰে বক্তব্য ৰাখিব খুজিছো।

ৰাজ্যপালে দিয়া ভাষণত অসমৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়ে আলোচনা থকা বাবে মই ধন্যবাদ জনাইছো। অসম চুক্তি আখৰে আখৰে পালন কৰা হব, তাৰ কাৰণে চৰকাৰে যেনে ধৰণেৰে চেষ্টা চলাইছে আৰু জনসাধাৰণে যি ধৰণেৰে আশা কৰিছে সেইমতেই ৰাজ্য চৰকাৰে আদৰণি জনোৱাত মই সুখী হৈছো।

দ্বিতীয়তে আন এটা গুৰুত্বপূৰ্ণ বিষয় ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছে, সেইটো হৈছে অসমৰ ওচৰ চুবুৰীয়া ৰাজ্যৰ সীমা সম্পৰ্কত আমি দেখিবলৈ পাইছো বহুদিনৰ পৰা অসমৰ চাৰিও মূৰে আৰু আশে পাশে থকা উত্তৰ পূৰ্বাঞ্চলৰ জনসাধাৰণক আক্ৰমণ কৰিব বিচৰা হৈছে। সীমা বিবাদ নাই যদিও সীমা বিবাদ কেনেকৈ লগাব পাৰি তাৰ কাৰণে ৰাজনৈতিক প্ৰচেষ্টা চলাই থকা হৈছে। আমাৰ মুখ্য মন্ত্ৰী এই ৰাজ্য কেইখনলৈ গৈ সীমা বিবাদৰ সম্পৰ্কত

---

* Speech not Corrected

আলোচনাত মিলিত হৈছে এইটোৰ যুক্তি যুক্ততা আছে। অসমৰ আন এটা ডাঙৰ সমস্যা নিবনুৱা সমস্যা দূৰীকৰণৰ বাবে উদ্যোগ বিভাগে চলোৱা প্ৰচেষ্টা শলাগিবলগীয়া। এইবাৰ আমাৰ ২০ হেজাৰ নিবনুৱা যুৱকক ১৯৮৭-৮৮ চনৰ ভিতৰত কৰ্ম্মসংস্থান দিবলৈ বিচৰাত উদ্যোগ বিভাগ ধন্যবাদৰ পাত্ৰ। ১৯৭৯ চনৰ পৰা অসম আন্দোলনত জড়িত থকা নিবনুৱা যুৱক সকলক চাকৰি বাকৰিৰে কৰ্ম্ম সংস্থান দিবলৈ বিচৰাটো অসমৰ ৰাইজৰ বাবে মঙ্গলজনক। ১৯৮৭-৮৮ চনৰ বিত্তীয় বছৰত ৩০ হেজাৰ নিবনুৱা যুৱকক বিভিন্ন আঁচনিৰ যোগেদি কৰ্ম্ম সংস্থানৰ সুবিধা দিবলৈ বিচৰা হৈছে। ইয়াৰ পিচৰ সমস্যাবিলাকৰ ক্ষেত্ৰত শিক্ষা, খোৱা পানী যোগান, বিজুলি যোগান আৰু অন্যান্য ক্ষেত্ৰত চৰকাৰে লব খোজা আচনি আমি দেখা পাইছো। প্ৰাথমিক স্তৰত শিক্ষা অনুস্থান বিলাক গৃহ নিৰ্ম্মাণ আদিৰ আচনি যুগুত কৰা হৈছে। ই সচাকৈ অসমত এক নতুন অভিলেশ সৃষ্টি কৰিব বুলি কব পৰা হৈছো। আৰু এটা কথা মই কব বিচাৰিছো বনাঞ্চল সম্পৰ্কত। বনাঞ্চল সংৰক্ষনৰ কাৰণে চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। বনাঞ্চল সংৰক্ষনৰ কাৰণে এটা টাস্ক ফৰ্চ গঠন কৰিছে। অতি সোনকালে যাতে এই ফৰ্চক প্ৰশিক্ষন আদি দি ওলিয়াই আনি কামত লগাব পাৰে তাৰ কাৰণে মই অনুৰোধ জনালো। আৰু এটা কথা দেখা গৈছে যে বনাঞ্চলৰ জীৱ জন্তু ধ্বংস কৰাৰ কাৰণে অকল যে চুৰাং চিকাৰীয়েই লিপ্ত আছে সেইটো নহয়। আমি প্ৰমান পাইছো যে বনাঞ্চলৰ জীৱ জন্তু ধ্বংস কৰাৰ কাৰণে এক শ্ৰেণীৰ চৰকাৰী কৰ্মচাৰীও জৰিত আছে। চৰকাৰী বিষয়া সকলে হাতত বন্দুক লৈ বনৰ পছুৱ পৰা হাটীলৈকে মাৰি ফুৰাৰ প্ৰমান আমি পাইছো। অসম পুলিচ বিভাগৰ এগৰাকী ডি. এচ. পি, হেড কুৱাটাৰৰ তেওঁ বনৰ পশু ধ্বংস কৰাত জড়িত আছে। গতিকে বনৰ পশু ধ্বংশ কাৰ্য্যত যাতে চৰকাৰী বিষয়া জড়িত কোনো ৰকমেই হব নোৱাৰে তাৰ কাৰণে মই গৃহ মন্ত্ৰীক বিষয়টো চাবলৈ অনুৰোধ কৰিলো।

গ্ৰাম্য উন্নয়নৰ কাৰণে যিবিলাক এন আৰ, ই পি, আৰ এল ই পি আদি আচনি বিলাকত কাম পিচ পৰি আছে। ইয়াৰ কাৰন বিলাক চাব লাগে। লগতে এই আচনি বিলাকত কাম কৰাৰ কাৰণে যি বিলাক শ্ৰমিক নিয়োগ কৰা হয় সেই সকলক সপ্তাহিক পেমেণ্ট কৰিব লাগে। কিন্তু এই পেমেণ্ট কৰাত দেৰি হয়। ইয়াৰ কাৰণ হৈছে বেংক বিলাকে টকা দিওঁতে দেৰি কৰে। সেই কাৰণে সপ্তাহিক পেমেণ্ট কৰোতে যাতে দেৰি নহয় সেইটো কথা

চাব লাগে। আমাৰ এগৰাকী মাননীয় সদস্য শ্ৰীৰায় চৌধুৰী ডাঙৰীয়াই এটা কথা কৈছে যে গ্ৰাম্য উন্নয়ন বিভাগত এজন ইঞ্জিনীয়াব দি এটা টেকনিকেল বিভাগ খুলিব লাগে। কাৰণ এই বিভাগত ৰাস্তা বা যি বিলাক ঘৰৰ কাম হয় সেই বিলাকৰ আচনি বিলাক ইঞ্জিনীয়াৰে পাচ কৰি নিদিলে কাম কৰাত অসুবিধা হয়। সেই দৰেই মই পৰামৰ্শ দিব বিচাৰিছো যে শিক্ষা বিভাগতো এজন ইঞ্জিনীয়াৰ দি এটা কাৰিকৰী বিভাগ খুলিব লাগে। কাৰন শিক্ষা বিভাগে যি বিলাক ঘৰ কৰে সেই বিলাক ইঞ্জিনীয়াৰে টেকনিকেল হিচাবে পাচ কৰি দিব লাগে। সেই কাৰণে শিক্ষা বিভাগটো এটা টেকনিকেল বিভাগ খুলিবলৈ অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker: Now hon'ble member Abdul Jabbar will speak.

* Shri Abdul Jabbar: Mr. Speaker sir, the addess of the Governor Shri Bhisma Narayan Singh frustrated the hopes and aspirations of the people of Assam as the same failed to divulge the true and correct picture of the state of affairs of Assam. His address does not deserve any appreciation or thanks. It was hoped that as the Head of the State and as representative of the President of India, he will vividly depict true picture of the state under the AGP Government and through his address he will warn the Government and its machinery to proceed in a right direction and also advise the Government to perform its function in a democratic way. Through his speech he endeavoured to guard the misdeeds and failures of the present Government and to give an untrue notion to the innocent millions.

Mr. Speaker sir, I would like to point out some of the aspects which he ought to have mentioned in his speech

---

* Speech not corrected.

like Udayachal, Tribal Home Land etc. Recently there are also problems like Karbi Anglong and North Cachar Hills, problems like SEBA circular, problem like Cachar as a cancer and lastly, harassment on the minorities, harassment upon other outsiders being Indian citizens. The Governor, in his speech, could have touched all these aspects. As a matter of fact, he tactfully avoided these burning problems. He could enlighten the House in which direction we are going and easily could guide us the proper direction we are to follow but he failed in this regard. He could render his service through his speech how to solve them through amicable means. So sir, he carefully avoided those burning problems. So, I do repeat that the address of the Governor does not deserve any thanks.

Sir, the other day, Shri Golak Rajbanshi, the leader of the opposition mentioned that various types of Governments are functioning in the State. I would like to mention here another type of Government which is functioning here in the State. This is called Ghost Government and which is running in the district of Darrang. I would like to inform the House that if this unseen that is the Ghost Government is not treated in its proper perspective then again there is a likelihood that peace loving people of Assam will have to face another disaster which as a member of the House I do not desire and at the same time, I also hope that other members also will appreciate me in this regard. So sir, before going to describe the activities of this Ghost Government I like to indicate the law and order situation in this district also. So sir, to focas the misdeeds regarding in this state I want to quote

from Amrita Bazar Patrika dated 25.1.87

"Assam Police charged with violating Constitution" Guwahati, January 27 (Staff Correspondent): The police machinery in Assam entrusted with the task of detection and deportation of foreigners' has been increasingly coming under sharp criticism for allegedly acting in contravention of the law and the Constitution.

Under a questionable provision of the Assam Accord relating to "expulsion" of foreigners' this section of police belonging to the border wing of the state police, is said to be functioning as a law unto itself completely disregarding the rule of law which the police is entrusted to uphold.

The modus operandi is like this people belonging to linguistic, ethnic and religions minorities are rounded up on suspicion as 'foreigners' and they are asked to provide instant proofs of their citizenship status. In case they fail to do so (and in most cases it is not possible for poor people to provide land documents or other proofs available in their home villages situated in the interior or in other districts or States) they are taken to the border and 'pushed back' or "expelled."

So sir, in this respect, I like to mention two cases only which is here in paper and if I go on reading it will take my time. I want to mention here one case. One Shri Keramat Ali of Napitpara village under Kalaigaon PS of Darrang district and his family members were pushed back to border but the other side did not accept them and as a result they were produced before the Court of Calcutta, West Bengal. The other day I spoke to SP,

Darrang, in his office. He told me that he came to know.

Mr. Speaker : Now, time is over. The House is adjourned till 8-30 a.m. tomorrow.

## Adjournment

The House stood adjourned at 1-30 P.M. till 8-30 A.M. to-morrow the 6th March 1987.

Dr. P. N. Hazarika
Secretary
Assam Legislative Assembly.

Dispur
The 5th March, 1987

অনুবন্ধ—'১'

List of New sites for Estt. of Vety. Dispensary and First Aid Centres under General Plan scheme during, 1986-87.

12 (twelve) nos of Vety. Dispensaries at

| Name of Vety. Dispensary | Name of Sub-Division |
|---|---|
| 1. Nowboicha | North Lakhimpur. |
| 2. Nagarbera | Kamrup |
| 3. Dakhinpat | Nagaon |
| 4. Baramghati | Rangia |
| 5. Balajan | Dhuri |
| 6. Borbang | Barpeta |
| 7. Guagacha | Barpeta |
| 8. Dakhin Nag Sankar | Sonitpur |
| 9. Behampur | Nalbari |
| 10. Kaoimari Gaon | Dibrugarh |
| 11. Bahjani (Omiyapur) | Nalbari |
| 12. Satma | Nalbari |

10 (ten) nos of Vety. First Aid Centres at

| | |
|---|---|
| 1. Dakhin Rangia | Rangia |
| 2. Helacha | Nalbari |
| 3. Bebejia | Nagaon |
| 4. Chamuguri (Kaliabor) | Nagaon |
| 5. Khalihoi | Mangaldoi |
| 6. Ramdia | Rangia |
| 7. Darikapara | Sibsagar |
| 8. Balipara | Nalbari |
| 9. Dakhin Bahjani (Nij Bahjani) | Nalbari |
| 10. Singria | Karimganj |
| 11. Vety. Dispy. Kacharidol | Darrang |
| " " Bhogamukh | Jorhat |
| " " Jayantipur | Darrang (proposed) |
| " " Byashkuchi | Barpeta (proposed) |
| " " Mohanpur | Hailakandi. |

List of New Site For Establishment of Veterinary Dispensary and First Aid Centre Under Tribal Sub-Plan and Schedule Cast Plan During 1986-87.

**Under Tribal Sub-Plan**

| Veterinary Dispensary | First Aid Centre | Stockman Centre |
|---|---|---|
| 1. Sessapani (Goalpara) | 1. Chokma ( Kokrajhar ) | 1. Kadam (North Lakhimpur) |
| 2. Gurmow ( Rangia ) | 2. Chakrader ( Guwahati ) | 2. Damukial (North Lakhimpur) |
| 3. Lohitmukh ( Bisanath Chariali ) | 3. Baralimari ( Morigaon ) | 3. Sripani ( do ) |
| 4. Bardhing ( Golaghat ) | 4. Tinsukia gaon ( Dibrugarh ) | 4. Genrabil ( Kokrajhar ) |
| 5. Kujikhowati ( Nagaon ) | 5. Dimakuchi ( Panery Udalguri ) | 5. Panbari ( do ) |
| 6. Sissimukh ( Dhemaji ) | 6. Debdhara (Barama Nalbari ) | 6. Kachiabari ( do ) |
| | 7. Fakua ( Kamalamiri ) | 7. Maslobharali ( Tinsukia ) |
| | 8. Moamari ( Phulani ) Majuli | |
| | 9. Tekeliphuta ( Dhemaji ) | |
| | 10. Ratanpur ( Jonai ) | |

**Under Schedule Caste Plan**

| | | |
|---|---|---|
| 1. Sibasthan ( Nagaon ) | 1. Khutabati ( Goalpara ) | 1. Bagalijan ( Nagaon ) |
| 2. Kumargaon ( Jorhat ) | 2. Dighaltarang ( Tinsukia ) | 2. Sulung ( do ) |
| 3. Kalinagar ( Silchar ) | 3. Bakrihowar ( Hailakandi ) | 3. I. C. D. P. ( Silchar ) |
| | 4. Puthimari ( Dhemaji ) | |
| 9 nos. | 14 nos. | 10 nos- |

## অনুবন্ধ '২'

Out of 121 ( One Hundred and Twenty One) Doctors And Teaching Staff Only 13 ( Thirteen ) Post is are at Present VACANT AS INDICATED BELOW.

| Sl. No. | Department | Name of Post | Number of vacancies. | Nature of vacancies. |
|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 |
| 1. | Bio-Chemistry. | Domonstrator. | 2 (Two) | Deputation for P.G. Study. |
| 2. | S.P.M. (Social and Preventive Medicine) | Demonstrator. | 2 (Two) | 1 (One) deputation vacancy, 1 (One) Regular. Received A.P.S.C.'s nomination. But due to High Court Case, the candidates nominated by A. P.S.C could not be recruited. |
| 3. | F.S.M. (Forensic & State Medicine) | Demonstrator | 1 (One) | 1 (One) Regular vacancy is being appointed on Ad-hoc basis. |
| 4. | Pathalogy. | Demonstrator. | 1 (One) | 1 (One) A.P.S.C.'s candidate is being appointed. |
| 5. | Cardiology. | Registrar. | (1) One | Newly created and is being recruited on Ad-hoc basis |
| 6. | Paediatric | Resident Physician | (1) One | Is being appointed on Ad-hoc basis. |
| 7. | Orthapaedic. | Asstt. Professor | 1 (One) | Regular vacancy and is being appointe on Ad-hoc basis. |
| 8. | O & G. | Resident Surgeon<br>Registrar. | 1(One)<br>1 (One) | } Is being appointed on Ad- hoc basis. |
| 9. | Dentistry. | Registrar. | 1 (One) | Regular vacancy is being recruited on Ad-hoc basis. |
| 10. | Physiology. | Demonstrator. | 1 (One) | Is being recruited on Ad-hoc basis. |

---